মৰমৰ অৰূপ,

মৰম ল'বি। আজি মোৰ অকলশৰীয়া ভেৰোণীয়া ঘৰটোলৈ আহি বেৰৰ ফুটাৰে পেলাই থৈ যোৱা তোৰ চিঠিখন পাই সকলো কথা গম পালোঁ। মোৰ অনুপস্থিতিত মোৰ ক্লাচ কেইটা তই আৰু অৰুনিমাই লোৱা বুলি জানি দুয়োকো ধন্যবাদ জনাইছোঁ। মই হঠাৎ তেনেকৈ নোহোৱা হোৱা বাবে তহঁতে চাগে পলোৱা বুলিয়ে ধৰি লৈছিলি, নহয় জানো? আচলতে এই কেইদিন মই পলাই ফুৰা নাছিলোঁ। এতিয়া ঠিক কৰিছোঁ, পলাম। পলোৱাৰ বাহিৰে মোৰ আৰু গত্যন্তৰ নাই। এইকেইটাদিন সুস্থ মস্তিষ্কেৰে চিন্তা কৰি মই ঠিক কৰিছোঁ সকলো সমস্যাৰ সমাধান কৰিবলৈ মই আঁতৰি যাব লাগিব। কলৈ কেনেকৈ ময়ো অৱশ্যে ঠিক নাজানোঁ। কিন্তু যোৱাৰ আগতে তোৰ প্ৰশ্নটোৰ সঠিক উত্তৰ মই দি যাম। যোৱা দুটা বছৰে তই একেটা প্ৰশ্ন কৰি আহিছ: কেতিয়ালৈ অৰুনিমাক মোৰ জীৱনলৈ একেবাৰে নিজৰ কৰি আদৰি আনিম। অকল প্ৰশ্ন কৰাই নহয়। জোৰো কৰি আহিছ। অৰুণিমাৰ নিচিনা গুণী, শিক্ষিতা আৰু ধুনীয়া ছোৱালী এজনীৰ মোহ অকাতৰে এৰি তই মোৰ বাবে যি ত্যাগৰ নমুনা দেখুৱাইছ তাৰ বাবে মই তোৰ ওচৰত কৃতজ্ঞ। এতিয়া শুন। নিৰ্ভয়ে নিৰ্বিবাদে আজি মোৰ অব্যক্ত বেদনাৰ ইতিহাস খন তোৰ আগত কৈ গৈছোঁ। আজি মোৰ মুখাখন খুলি তোক দেখুৱাব খুজিছোঁ ইমান দিনে ডাষ্টবিনৰ তলত গোপনে লুকাই থকা পুঞ্জীভূত আবৰ্জনাৰ এক কদৰ্য্য ৰূপ। সেয়া বহুত দিন আগৰ কথা। তেতিয়া মোৰ যৌৱনৰ আদিম প্ৰভাত। মই কলেজৰ দ্বিতীয় বাৰ্ষিকত।

তেতিয়াই মই অজানিতে ভাল পাই পেলাইছিলোঁ এজনী ছোৱালীক। ছোৱালী গানে মোৰ নবৌৰ ভনীয়েক স্মৃতাক। নবৌ কইনা সাজি আমাৰ ঘৰলৈ আহোঁতে কেইদিনমানৰ কাৰণে লগত স্মৃতাক আনিছিল। যৌৱনৰ হাত বুলনিত ফাকুৰ ৰঙেৰে ৰঞ্জিত হোৱা মোৰ মনে স্বাভাৱিকতে স্মৃতাৰ মনৰ ওচৰ চাপি গ'ল। স্মৃতাৰ কিশোৰ মনেও মোৰ মনৰ বাতৰি পালে। সঁহাৰিও দিলে প্ৰাণভৰা উচ্ছাসেৰে। সময় ভটিয়াই গৈ থাকিল। আৰু এদিন সময়ৰ হাত বুলনিত স্মৃতা গাভৰু হ'ল। আৰু আমাৰো যৌৱনৰ প্ৰেমৰ জুৰি হিল-দল ভাঙি বই থাকিল কোনো এটি অজান লক্ষ্যলৈ। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, মোৰ আৰু স্মৃতাৰ মাজত গঢ়ি উঠা সম্পৰ্কটো ককাইদেউ, নবৌ নাইবা ঘৰৰ আন কোনোৱে ভাল চকুৰে চাব পৰা নাছিল। বহু সময়ত সেয়ে মই তেওঁলোকৰপৰা বিশেষকৈ ককাইদেউৰ পৰা কঠোৰ ব্যৱহাৰো পাবলগীয়া হৈছিল। ইতিমধ্যে মই পি, ইউটো পাছ কৰি নিজা বাইদেউহঁতৰ ঘৰত থাকি বি, এ, পঢ়িবলৈ ললোঁ। স্মৃতা আৰু মোৰ মাজৰ প্ৰেমৰ সাঁকোখন দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ থাকিল। অৱশেষত আমাৰ সম্পৰ্কৰ কথা বাইদেউ ভিনিহিদেউৰ কাণতো পৰিল। তেওঁলোকৰো একে মত, প্ৰেম তেম বাদ দি পঢ়া-শুনা কৰিব লাগে। এক কথাত, ঘৰৰ নীতি বচনৰ পাঠ তেওঁলোকৰ পৰাও অহৰ্নিশে শুনি থাকিব ধৰিলোঁ। যি নহওক,

এনেকৈ দিনবোৰ পাৰ কৰি দি অৱশেষত মই ভালদৰেই বি, এ, টো ( তোৰ হয়তো মনত আছে, ডিষ্টিংশ্যান সহকাৰে ) পাছ কৰি স্থানীয় হাইস্কুল খনত মুৰটো গুজি ললোঁ। তেতিয়াও কিন্তু কৈশোৰত লগ পোৱা স্মৃতাজনীক ভাল লাগিয়ে থাকিল। ভাল লাগি থাকিল ঠিক বগা গোলাপ এটিৰ মিঠা সুবাসৰ দৰে। স্মৃতাৰ কথাতো আৰু সুকীয়া। সময়ত এনে হৈছিলগৈ, তাই মোৰ কথা নেভাবিলে বা মোক নেদেখিলে যেন এটি মুহূৰ্তও থাকিব নোৱাৰিছিল। এনে এটা সময়ৰে কথা।......

স্মৃতাৰ মাক-দেউতাকে সম্ভৱ স্মৃতাৰ লগত মোৰ সম্বন্ধ ল'ৰা-ধেমালি বুলিয়ে বিবেচনা কৰি আহিছিল। সেয়ে এদিন হঠাৎ স্মৃতাৰ বিয়াক ঠিক কৰি পেলালে। মই পৰি ৰলোঁ কক্ষচ্যুত তৰাৰ দৰে। স্মৃতা প্ৰায় বাউলী হৈছিল। পৰম আশ্বাস আৰু বিশ্বাস লৈ স্মৃতা দৌৰি আহিছিল মোৰ ওচৰলৈ। আৰু মই কি কৰিলোঁ জান ? কাপুৰুষৰ দৰে স্মৃতাক দি গলোঁ নীতিবচনৰ এটি দীঘলীয়া লেকচাৰ। নক'লেও হ'ব, সেই লেকচাৰৰ বিষয়বস্তু হ'ল, মোৰ স্মৃতি পাহৰি গৈ শিক্ষকৰ একান্ত বাধ্য ছাত্ৰীৰ দৰে স্মৃতাই মাক দেউতাকৰ ইচ্ছাক সন্মান জনাব লাগে। মোৰ মুখৰপৰা অন্ততঃ স্মৃতাই সেই কথা শুনাৰ কল্পনা সপোনতো কৰা নাছিল। সেয়ে স্মৃতা হৈছিল বিমূঢ়, বিস্মৃত, স্তম্ভিত। হতবাক স্মৃতাই একমুহূৰ্ত একো ক'ব পৰা নাছিল। তাৰ পিচত উচাত মাৰি মোৰ বুকুৰ পৰা আঁতৰি গৈছিল। আৰু সেই যি আঁতৰি গ'ল স্মৃতা আৰু কেতিয়াও উভতি নাহিল।.. ...সেইদিনা আছিল মঙ্গলবাৰ। স্কুলৰপৰা আহি ঘৰ সোমাইছোহে। দেখিলোঁ, নবৌৱে বিচনাত বাগৰি বাগৰি কান্দিছে। বাৰে বাৰে সুধিলোঁ, কোনো উত্তৰ নাই। অৱশেষত মিষাৰ কথা নবৌৱে কলে, শুনি মোৰ জিভাই তালু লগা অৱস্থা। নবৌৱে ক'লে, আগনিশা হেনো স্মৃতাই চিপজৰী ল'লে। ভয়ঙ্কৰ কথাষাৰ শুনি মই একো কৰ পৰা নাছিলোঁ। সেই সময়ৰ মোৰ মনৰ অৱস্থাৰ ব্যাখ্যা দিব নোৱাৰিম। প্ৰায় এসপ্তাহলৈ মই শুব পৰা নাছিলোঁ। বিচনাত পৰিলেই বিভিন্ন অৱস্থাত বিভিন্ন ভঙ্গীত স্মৃতাক দেখিবলৈ পোৱা হলোঁ। কেতিয়াবা সপোনতো দেখা যেন লাগে স্মৃতাই মোৰ সতে সাঁতুৰিছে, নৈৰ চাপৰিয়ে চাপৰিয়ে মোৰ সতে কহুৱাৰ ফুলবোৰ চিঙি লৰি চাপৰি ফুৰিছে। নতুবা পদূলিৰ বকুল জোপাৰ ফুল বুটলিছে, মালা গাঁথিছে আৰু যে ক'ত কি ! স্মৃতাৰ আত্মহত্যাৰ কাৰণে নবৌহঁতে মোক খোলাখুলিকৈ কোনো দোষাৰোপ কৰা নাছিল। কিন্তু নবৌহঁতৰ চকুৰ নিৰ্বাক গঞ্জনাই মোৰ অন্তৰ বিষাদেৰে ওপোচাই পেলাইছিল। মই কিংকৰ্তব্য বিমূঢ় হৈ পৰিছিলোঁ। শান্ত্বনাৰ মাত এষাৰ দিবলৈ আনকি স্মৃতাৰ মাক দেউতাকৰ কাষলৈ যাব পৰা নাছিলোঁ। এক তীব্ৰ অপৰাধবোধত মোৰ দেহ আৰু মন যেন দহি গৈছিল। মোৰ এনে লাগিছিল, মই যেন এক জঘন্য খুনী--নিষ্পাপ নিষ্কলুষ ছোৱালী এজনীক ডিঙি চেপি হত্যা কৰিছোঁ। .. সময় বাগৰাৰ লগে লগে অৱশ্যে সকলোবোৰ সহ্য কৰিব পৰা হলেও মই

জীয়াই থাকিলোঁ এটি অপৰাধী মন আৰু এখন উকঙা—বৰ উকঙা হৃদয় লই।

তই হয়তো নাভান অৰূপ, মই যি কাৰণে লিখিবলৈ আৰম্ভ কৰিলোঁ তাৰ গুৰিতে স্মৃতাৰ আত্মহত্যা। অপৰাধবোধৰ তীব্ৰতাই এটা সময়ত মোক ইমান উন্মাদ কৰি তুলিছিল যে, মই তাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় হিচাপে হাতত তুলি ললোঁ কলম আৰু কাগজ। তুলাপাতত আঁকি গ'ব ধৰিলোঁ অলেখ স্মৃতাৰ অলেখ মৰ্মন্তুদ কাহিনী। তই যদি লক্ষ্য কৰিছ দেখিবলৈ পাইছ য'তেই কোনোবা স্মৃতাক কোনোবা পলাশে প্ৰতাৰণা কৰাৰ প্ৰশ্ন উঠিছে, ত'তেই মই গৰ্জি উঠিছোঁ। কিন্তু ভাই, তথাপিও জানো শান্তি পাব পাৰিলোঁ। অকলশৰীয়া মুহূৰ্তবোৰত স্মৃতাৰ স্মৃতিয়ে মোক খুলি খুলি খায়ে থাকিল। সেয়ে অৰুণিমাৰ অযাচিত প্ৰেমকো মই হৃদয়েৰে গ্ৰহণ কৰিব নোৱাৰিলোঁ। মই জানোঁ, মোৰ ব্যৱহাৰত অৰুণিমাই বহু সময়ত আহত হৈ আহিছে। মোক বুজাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছে। ভাল পাব আৰু ভাল পোৱাবৰ যত্নৰ সীমা ৰেখা নাই। কিন্তু অৰুণিমাক মই কেনেকৈ বুজাম যে —প্ৰেমৰ জগতত হৃদয়ৰ দিয়া নিয়া মাথোঁ দুজনৰ মাজত হে হয়। মোৰ হিয়াতো কাহানিবাই স্মৃতাক দিয়া হৈ গৈছে। এতিয়া মই স্মৃতাৰ স্মৃতিৰ জালত এনেদৰে বন্দী যে অৰুণিমাক গ্ৰহণ কৰিলে এহাতে স্মৃতাৰ প্ৰেম তথা আত্মাক যিদৰে প্ৰবঞ্চনা কৰা হব, ঠিক সেইদৰে অৰুণিমাৰ প্ৰেমকো প্ৰবঞ্চনা কৰা হব, তই বিশ্বাস কৰ অৰূপ, অৰুণিমাৰ প্ৰেমক মোহাৰি পেলাবলৈ মোৰ বেদনা হৈছে।

তাইৰ প্ৰেম নিষ্কলুষ, আন্তৰিক। তাইক আঘাত দিয়াৰ ইচ্ছা মোৰ অকণো নাই। সেয়ে মই সঙ্কল্প লৈছোঁ, মই আঁতৰি যাম। সকলোৰে মঙ্গলৰ বাবে মই আঁতৰি যোৱাটো ভাল হব। পৃথিৱীৰ একোণত এটুকুৰা ঠাইত পলাশ নামৰ মানুহ এজন জীয়াই থাকিব—তাৰ আগৰ সকলো পৰিচয় হেৰুৱাই। জীয়াই থকাৰ তাৰ একমাত্ৰ সম্বল হব দহবছৰ আগতে পৃথিৱীৰ নিষ্ঠুৰতা সহিব নোৱাৰি চিৰকালৰ বাবে বিদায় লোৱা স্মৃতা নামৰ এজনী সোতৰ বছৰীয়া ছোৱালীৰ কৰুণ স্মৃতি।

অবান্তৰ হয়তো বহুতেই লিখিলোঁ। শেষ কৰাৰ আগতে তোক এটা অনুৰোধ কৰি যাম। মোৰ অৱস্থাটো বুজি অনুৰোধটো ৰক্ষা কৰিবি বুলি মোৰ বিশ্বাস। মোৰ অনুৰোধ, তয়ে অৰুণিমাক গ্ৰহণ কৰ। এয়া মোৰ অনুৰোধ নহয়, তোৰ ওচৰত মোৰ এটি ভিক্ষা। এইখিনি ভিক্ষা দিলে মই তোৰ ওচৰত চিৰকৃতজ্ঞ থাকিম। মই আশা কৰা মতে অৰুণিমা আৰু তোৰ হবলগীয়া যুগ্ম জীৱনলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাই বিদায় লৈছোঁ। ইতি

তোৰ বন্ধু

'পলাশ'

চিঠিখনৰ শেষত অৰূপ বৰুৱাই বিশেষ দ্ৰষ্টব্য বুলি যি কেইটা বাক্য লিখিছিল তাক হয়তো শ্ৰদ্ধেয় পাঠকসকলৰ আগত উপস্থাপন নকৰিলে চিঠিখনৰ কোনো কোনো চৰিত্ৰৰ প্ৰতি সম্যক বিচাৰ কৰা নহব। সেয়ে বাক্য কেইটা যথা-

যথ লিপিবদ্ধ কৰিলোঁ। অৱাপে লিখিছিল ঃ সম্পাদক বন্ধু, তুমি হয়তো নাজানা, পলাশৰ নিৰুদ্দেশৰ এমাহ নৌহওতেই অৰুণিমাক মই বিয়াৰ প্ৰস্তাৱ দিছিলোঁ আৰু অধীৰ আগ্ৰহেৰে মোৰ প্ৰস্তাৱক গ্ৰহণ কৰা অৰুণিমাক মই সেই মাহতে বিয়াও কৰাইছিলোঁ। কিন্তু সাতবছৰ আগতে লিখা পলাশৰ চিঠিখন তোমালৈ পঠোৱাৰ মাথো দুদিন আগতেহে পলাশৰ মাকে মোক আনি দিছিল ।- সম্ভৱ সি যোৱাৰ সময়ত চিঠিখন মোক দি যোৱাৰ সুবিধা কৰিব নোৱাৰিলে।

— x —



# ....ঃ যাত্ৰা ঃ....

দিলীপ দাস

আজি কালি ঘৰলৈ যাবলৈ সি কোনো উৎসাহ বোধ নকৰে। তথাপিও যায়। সপ্তাহটো ঘূৰি শনিবাৰটো আহিলে সি আজি কালিও যায়। কৰ্ত্তব্যবোধৰ এনে কিছুমান অদেখা শিকলিত সি বন্দী যে নাযাওঁ বুলি থাকিও শেষ মুহূৰ্তত নোযোৱাকৈ নোৱাৰে। কিন্তু এনে এটা সময় আছিল যেতিয়া শনিবাৰটো আহিলে তাৰ গাত গোঁসাই নোহোৱা হৈছিল। ৰাতিটো পুৱাবৰ পৰাই তাৰ ইচাট্ বিচাট্ লাগিছিল। সাতখন নৈ পাৰ হৈ যাব পৰা উৎসাহ যেন সি অনুভৱ কৰিছিল। অথচ আজি কালি উৎসাহতো নহয়ে, বৰং এক তীব্ৰ তিক্ততা - ....।

আগৰটো সপ্তাহতে ঘৰলৈ যাওঁতে মালতীয়ে নিব কোৱা বস্তু কেইটাৰ দামে দৰে বলে পৰা দুপদমান ভৰাই লোৱা কাপোৰৰ মোনাটো কান্ধত পেলাই হলধৰে চাৰি বজাৰ বাছখন ধৰিবলৈ মটৰ-ষ্টেণ্ডলৈ খোৰাকুৰিকৈ খোজ লৈছিল। বাছখন ধৰিবই লাগিব। তাৰ পাঁৱলৈ যোৱা দিনটোৰ একমাত্ৰ বাছ। সি যাবই লাগিব। বিশেষকৈ কালি ৰাতিৰামকাই তাক লগ ধৰি কৈ যোৱা কথাটো শুনাৰ পিচত সি নোযোৱাকৈ নোৱাৰে।

অফিচৰপৰা ওলাওঁতেই তাৰ আজি চাৰে তিনি বাজি গৈছিল। বৰুৱা চাহাবটো খিহে মানুহ। পাৰিলে যেন চকীদাৰ পিয়ন কেইটাক দিনটোৰ লগতে ৰাতিটোও খটুৱাব। বৰবাবুক

কৈহে সি প্ৰতি শনিবাৰে অফিচৰপৰা এঘণ্টামান আগতে ওলোৱাৰ সুবিধাটো কৰি লৈছে। বৰবাবুটোও পিচে কম নহয়। সপ্তাহটোৰ মূৰকত দিয়া এই কণ সুবিধাৰ বেচ তাৰপৰা সুতে মূলে আদায় কৰিহে লয়। আজি বোলে ঘৰত কেৰাচিন নাই। কালি বোলে গৰুৰ দানা নাই। ইটো নাই। সিটো নাই। 'চব্' লেঠা আহি লাগে হলধৰৰ মূৰত। অফিচলৈ আহিয়ে হয়তো ক'ব, 'বোলো হলধৰ, কথা এটা হ'ল নহয়। অফিচলৈ ওলাওঁতেই বাইদেৱেৰাই ক'লে, ষ্টোভত জ্বলাবলৈ কেৰাচিন এটোপাও নাই। এটা পাকত গৈ দি আহিবাচোন।' না কৰাৰ সাহসতো হলধৰৰ নাই। অৱশ্যে বৰবাবুৰ ঘৰলৈ গৈ হলধৰৰ সিমান বেয়া নালাগে। আনকি কেতিয়াবা চাইকেল ঠেলি মিলৰ পৰা গৰুৰ দানা কঢ়িয়াই আনোতে যথেষ্ট কষ্ট হ'লেও বৰবাবুৰ ঘৰ পোৱাৰ লগে লগে সি সেইখিনি পাহৰি যায়। বৰবাবুৰ বাইদেউ গৰাকী সাদৰী। তাৰ কিবা আপোন আপোন লাগে। কোনো দিনে তাক শুদা মুখে নপঠিয়ায়। কিবা এটা জলপানেৰে চাহ একাপ খুৱাইহে পঠিয়ায়। তাৰ ঘৰৰ খবৰো প্ৰায়ে লয়। তাৰ বেমাৰী মাকৰ খবৰ, মালতীৰ খবৰ, তাৰ এবছৰীয়া কণমান ছোৱালীজনীৰ খবৰ। আনকি ফুলতে বাঁৰী হৈ তাৰ ডিঙিত হাৰমাল্ হৈ লগা ভনীয়েকজনীৰো খবৰ লয়। বাইদেউজনীক তাৰ সেইকাৰণে ভাল লাগে। কেৱল নিজক লৈ ব্যস্ত চহৰখনত তাৰ কথা সোধা বা শুনা মানুহ এগৰাকীৰ ওচৰত সেয়ে সি অকৃপণতাৰে কৃতজ্ঞতাও প্ৰকাশ কৰে। কিন্তু তাৰ বিপদ আহে চাহাবৰ ঘৰলৈ যোৱাৰ পাল পৰিলেহে। তাৰ গাত কিবা ভূত জ্বৰ লম্ভা যেন লাগে। মেমচাহাবক দেখিলেই তাৰ যোৱাটো বছৰৰ আগৰ বছৰ ৰাস পূণিমাত সিহঁতৰ গাওঁত কৰা নাটকখনৰ ডাং-কাটী তিৰোতাজনীলৈ মনত পৰে। মেমচাহাবক দেখাৰ পিচতহে তাৰ বোধ হৈছে যে, সঁচা জগতখনতো নাটকত দেখা তিৰোতাজনীৰ দৰে গিৰিয়েকক উঠোঁতে বহোঁতে খেংখেঙাই থকা আৰু মেজাজ বেছি গৰম হ'লে চৰ শোধাব পৰা প্ৰকৃতিৰ তিৰোতাৰ অভাৱ নাই। তাৰ এতিয়াও মনত পৰে, মালতীয়ে সেই দৃশ্যটো চাই অস্বস্তিত কেনেকৈ উঠি আহিব খুজিছিল। সিহে বুজাই বঢ়াই ৰাখিছিল যে, 'এইখন নাটকহে, আমাৰ জগতত এনে তিৰোতাৰ ছায়াটোও দেখিবলৈ নাই।' এতিয়া পিচে কেতিয়াবা মালতীক আনি মেমচাহাবক দেখুৱাই তাৰ ক'বৰ মন যায় যে সি সেই নিশা কোৱা কথাখিনি আচলতে গোকাট মিছা কথা। সি ভাবি নাপায় কিছুমান মানুহে হকে নহকে কেনেকৈ ভদ্ৰতা আৰু দয়া মৰমৰ মূৰ খাওঁ বুলিয়ে খাব পাৰে। মেমচাহাবৰ কথাকে সি কেতিয়াবা ভাবে। কি এনে খতিটো হয় কাম কৰা মানুহক অলপ ভালকৈ কথা-বতৰা ক'লে। কামবিলাকো ভালকৈ বটাই নিদিয়ে আৰু ইফালে অলপ হেৰ্ফেৰ্ হ'লেই কি অশালীন ব্যৱহাৰ। সেইখিনি সময়ত মেমচাহাবক তাৰ অফিচৰ পায়খানা চাফ্ কৰা মেতৰণী জনীতকৈও হীন বুলি ভাবিবৰ মন যায়। যোৱা সপ্তাহৰ ঘটনাটো সি এতিয়াও পাহৰিব পৰা নাই। মেমচাহাবে কাটিব দিছিল মেটিনী শ্ব'ৰ টিকট।

তাৰ বুজাত ভুল হ'ল। সি কাটি আনিলে গধূলি শ্ব'ৰ টিকট। কি এনে মহাভাৰত চুৱা কৰা দোষটো কৰিলে সি যে তাৰ মৰা বাপেক, বেমাৰী হৈ আজি তিনি বছৰে বিছনাত পৰি থকা আধামৰা মাক জনীকে ধৰি চৈধ্য পুৰুষ উজাৰি গালি দিব লাগে। কথাটো মনত পৰিলে এতিয়াও তাৰ গাটো বিছাই বৰলে ডকা যেন লাগে। মূৰৰ ভিতৰত জুই একুৰা যেন ভমককৈ জ্বলি উঠে। তাৰ পিচে আটাইতকৈ টান লাগে আন এটা কাম কৰিব লগীয়া হ'লেহে। চাহাবৰ ঘৰত কাম কৰা ল'ৰা বা ছোৱালী নাথাকিলে বাচন মজা ঘৰ সৰাৰ পৰা আদি কৰি মেমচাহাবে গ' ধুই 'বাথৰুম'ত পেলাই অহা কাপোৰ খিনিও সি ধুব লাগে। মাহে দুমাহে সি এইটো কৰিয়ে আহিছে। অফিচৰে তাৰ লগৰ কান্তেশ্বৰহঁতৰ পৰা সি গম পাইছে যে চাহাবৰ ঘৰত হেনো কোনো কাম কৰা ল'ৰা বা ছোৱালীয়ে আজিলৈকে এমাহতকৈ সৰহ দিন থাকি নপলোৱা 'ৰেকৰ্ডে' নাই। সি মালতীক 'চব' কথা ক'লেও এইষাৰ কথা আজিলৈকে কোৱা নাই। কেতিয়াবা ক'ব খুজিলেও লাজত অপমানত জিভা নুঘূৰা হয়। সি পিচে কেতিয়াবা মালতীক ক'ব। ক'লে তাই কি ক'ব সি তাকো কল্পনা কৰি চায়। তাই ক'ব নেকি, 'নেলাগে আহা, লোকৰ তিৰোতাৰ মেখেলাধুৱা সেইভাল চাকৰি কৰিব। দৰ্কাৰ হ'লে খুজি মাগিকে খাম।' নে নীৰৱে হুমুনিয়াহ কাঢ়ি তাৰ ওচৰৰপৰা আঁতৰি গৈ তাক নেদেখাকৈ চকুপানী মচিব? সম্ভাব্য দুয়োটা প্ৰতিক্ৰিয়াই তাৰ বাবে অসহনীয় কাৰণে সি কথাষাৰ আজিলৈকে কওঁ কওঁ বুলিও ক'ব পৰা নাই।

দ্ৰুতৰ পৰা দ্ৰুততৰ কৰি দিয়া খোজকিটাৰ তালে তালে এইবাৰ মালতীৰ মুখখনে তাৰ মনত দোলা দি যাবলৈ ধৰিলে। লগে লগে যোৱাটো সোমবাৰে ঘৰৰপৰা ওলোৱাৰ আগমুহূৰ্তত পদূলি-মূৰলৈ আহি তাৰ হাতত গুজি দিয়া মালতীৰ বস্তুৰ তালিকাখন তাৰ মনলৈ আহিল। পাঠশলীয়া শিক্ষাৰে যৎপৰোনাস্তি কছ্‌ৰৎ কৰি লিখা কাঠ পেন্সিলৰ ডাঙৰ ডাঙৰ একাবেঁকা আখৰ কেইটামান .....মাৰ ঔষধৰ বটল বিশ তোলীয়া সূতা ..। এক বেজাৰ-সিক্ত তিক্ততাত তাৰ মনটো ভাৰাক্ৰান্ত হৈ উঠিল। মালতীয়ে কৈছিল: 'তুমি আন কেইপদ বস্তু নানিলেও মাৰ ঔষধৰ বটলটোৰ লগতে সূতা কেইলেছা আনিবাই। দেখিছাই নহয়, কণমাইৰ কাপোৰৰ অৱস্থা। তাই বাহিৰলৈ ওলাব নোৱাৰা হৈছে। মাকো মেখেলা এখন নহলেই নহয়।' কথাখিনি কৈ মালতীয়ে তাৰ মুখলৈ চাইছিল। সি বুজি পাইছিল, মালতীয়ে তাৰ বিধবা ভনীয়েক কণমাই আৰু মাকৰ কাপোৰৰ কথা কৈছিল যদিও সিহঁততকৈ কাপোৰৰ বেছি প্ৰয়োজন আছিল তাইৰ নিজৰহে। নাচাওঁ বুলিও সি তাৰ দুচকু মালতীৰ মুখৰ পৰা তাই পিন্ধি থকা কাপোৰ যোৰলৈ নি তৎক্ষণাৎ ঘূৰাই আনিছিল। তাৰ মনটোত নৰ্চ্চা কাঁড় এডাল যেন হঠাত সোমাই পৰিছিল। কমনো হাউচ কৰি সি এইজনী ছোৱালীক নিজৰ কৰি আনিছিল-নে? কুন্দত কটা যেন নাকটোৰে ভেজে ফুটো ফুটো কৰা এইজনী মালতীক তিনি বছৰ আগতে বহাগৰ সাতবিহুৰ ৰাতি সি যেতিয়া পলুৱাই

আনে, সিহঁতৰ দুয়োখন গাওঁতে ৰৌস্বাল বৌস্বাল লাগিছিল। বিশ পুৰা খেতি মাটিৰ সাতটা মেট-মৰা ভাখৰীৰ গৰাকী চাৰিটা গজ্‌গজীয়া কান-সমনীয়া ল'ৰাৰ বাপেক সাতোলা গাওঁবুঢ়াৰ এক-মাত্ৰ ছোৱালী মালতীক কেওকিছু নোহোৱা টোকোনা হলধৰে পলুৱাই আনিছে বা তাৰ লগত তাই পলাই আহিছে। কমনো কথানে! একপ্ৰকাৰ বাঘৰ নেজেৰে কাণ খুজুৱা কথা। কিমানৰ যে কিমান কথা। কেৱে ভাল পাইছিল। মেলে মিটিঙে বিয়াই-সবাহে পাটৰ চেলেং কান্ধত পেলাই মান সন্মানৰ আগভাগ লোৱা সাতোলা গাওঁবুঢ়াৰ ভেম ভগাত। সাতোলাৰ প্ৰতাপত কলপাত কঁপাদি কঁপা অলপ ধতুৱা কিছুমানে তাক ভয়ো খুৱাই-ছিল। কিন্তু ক'তা, সিতো অকণো ভয় খোৱা নাছিল। আৰু মালতী! তায়ো কম ছোৱালীনে? তালৈ তাইৰ আকলটোও কমনে? পলুৱাই অনাৰ পিছদিনা ৰাতিপুৱা তাইক বৰাই বুজাই ঘুৰাই নিবলৈ অহা সাতোলা গাওঁবুঢ়া আৰু গোটেইখন সমাজৰ সমুখত তাইনো কমটো সাহসত থিয় হৈছিলনে? আৰু ব্যৰ্থ মনোৰথ সাতোলা গাওঁ-বুঢ়াই খং আৰু বেজাৰত তাই ঘৰলৈ ঘুৰি নগ'লে মৰি যোৱা বুলি ধৰি লব বুলি কোৱাতো তাইনো কম ধৈৰ্য্যেৰে বাপেকৰ মুখতে ধৰি কৈছিলনে—'পিতাই, তই যদি মোক তেনেকৈয়ে ভাবিব পাৰ মোৰ ক'বলৈ একো নাই। তই বেজাৰ পালেও মই কিন্তু তেওঁক এৰি যাব নোৱাৰোঁ। আমাৰ বিয়া হৈ গৈছে?' তাৰ এতি-য়াও মনত আছে তীব্ৰ অপমান আৰু দুৰ্দমনীয় খঙত সাতোলা গাওঁবুঢ়াৰ গোটেই সমাজখনক চাতকৈ উঠাই লৈ যাওঁতে কেনেকৈ তালৈ ৰঙা চকুৰ চাৱনি নিক্ষেপ কৰি গৈছিল। বাপেকে তেনেকৈ যোৱাৰ পিচত মালতীয়ে অৱশ্যে উচুপিছিল। তীব্ৰ উচুপনি। সি তাইক কেনেকৈ বুজনি দিছিল সেয়াও তাৰ মনত আছে। সি কৈছিল, তাৰ কেও কিছু নহলেও কৰ্মঠ দুখন হাত আছে। তাৰ সাতামপুৰুষীয়া যি দুহালিমান খেতি মাটি আছে তাৰে অন্ততঃ তাইক দুখত নপৰাকৈ খুৱাই ৰাখিব পাৰিব। মালতীয়ে উচুপনিৰ মাজতো তালৈ মূৰ দাঙি চাই মিচিকিয়াইছিল। কৈছিল: 'মই চবেই বুজিছোঁ। তথাপিও কিয় জানো মনটো ফাটি চিৰি যোৱা যেন লাগিছে। হেজাৰ হলেও জনম দিয়া পিতাইতো। কমটো দুখ পাই গ'লনে পিতাই আজি।' তাইক সান্ত্বনা দিবলৈ সি আৰু বহুত কথাকে কৈছিল। এটা সময়ত তাই শান্ত হৈছিল। আজিও শান্ত হৈ আছে। দুসাজ খালেও যেনেকুৱা, কেতিয়াবা এসাজ নাখালেও তেনেকুৱা। যোৱা তিনিটা বছৰে তাৰ লগত দাঁতে ওঁঠেও লাগিব দিয়া নাই। পথাৰত ককায়েকহঁতক জলপান দিবলৈ যাওঁতে তালৈ চাই মৰা মিচিকি হাঁহিটোৰ অৱশেষ এতিয়াও কেতিয়াবা তাইৰ ওঁঠত সি দেখা পায়। সেই হাঁহিয়ে এতিয়া অৱশ্যে হিয়া শাঁত নেপেলায়, কাঁইট হৈ বিন্ধেহে।

কেতিয়াবা কিছু সময় নিবিড়কৈ নিজৰকৈ পালে সি ভাবে সেই জনী মালতীক সি কি দিব পাৰিছে। ভালকৈ খুওৱাতো দূৰৰ কথা, পিন্ধি-বলৈ ভাল কাপোৰ এযোৰো দিব পৰা নাই। অথচ এইজনী মালতীয়ে তাৰ বাবে কি কৰা নাই! পৈতৃক সম্পত্তি বুলি পোৱা আঠ বিঘা

খেতি মাটিৰ পাঁচ বিঘা গোঁসাইৰ ওচৰত বন্ধকত থৈ ভনীয়েকৰ বিয়াখন পতাৰ পিচত মালতীয়ে তাইৰ হাতৰ কাণৰখিনি তাৰ হাতত তুলি দি কৈছিল—'হোঁৱা লোৱা, এইখিনি বেচি বা বন্ধকত থৈ তুমি পিয়নে হওক চকীদাৰে হওক যি কোনো চাকৰি এটা যোগাৰ কৰা। মাটি ডোখৰ যেনে তেনে মোকলাবই লাগিব।' সেইদিনা মালতীৰ মুখলৈ চাই সি সঁচাকৈয়ে বোবা হৈ গৈছিল। দুখ আৰু বেজাৰত বুকুখন ফাটি যোৱা যেন পালেও সি মালতীৰ উপদেশ দলিয়াই পেলোৱা নাছিল। বন্ধক ৰবলৈ অসম্মত হোৱাত মেজা মহাজনৰ ওচৰত বস্তুখিনি বেচি দি পোৱা নগদ ছয়শ টকা লৈ সি সেয়ে পিচদিনাই চহৰত চাকৰি কৰা কান্তেশ্বৰৰ ওচৰ পাইছিল। কান্তেশ্বৰ তাৰ মোমায়েকৰ গাওঁৰ। সৰুতে মোমায়েকৰ ঘৰলৈ যাওঁতে টাংগুটি খেলা, লোকৰ বাৰীত দলিয়াই আম খোৱা অঘাইতং লগ। মোমায়েক-হঁতৰ প্ৰায় আটাইবোৰ মৰি হাজি উছন হলেও কেতিয়াবা বিয়াই-সবাহে সিখন গাওঁলৈকে গ'লে কান্তেশ্বৰক লগ পায়। চিনাকি বা বন্ধুত্বও তেনেকৈ ৰৈ আছে। কান্তেশ্বৰে তাৰ প্ৰস্তাৱটো শুনি প্ৰথমতে নাক কোচাইছিল। কৈছিল, 'হেবৌ জহনীত যোৱাটো। দূৰৰ পাহাৰ দেখিবলৈহে ভাল। ওচৰৰপৰা তেনেই ওখোৱা মোখোৱা। ঘৈণীয়েৰৰ হাতৰ কাণৰখিনি বেচি পোৱা টকাৰে গাওঁতে সৰু সুবাকৈ কিবা এটা কৰ। দোকান-চোকান এখনকে দে।' পিছে সি আঁকোৰ-গোজৰ দৰে লগাত আৰু গাওঁত বাকী খায়ে দোকান উছন কৰিব বুলি কোৱাত কান্তেশ্বৰে তাক বৰবাবুৰ ওচৰলৈকে লৈ গৈছিল। তাৰো কপাল ভাল আছিল হবপায়। বুঢ়া দেছোৱালী পিয়নটো এমাহৰ ছুটীত 'দেচ'লৈ গৈ ঘূৰি নহাত পিয়নৰ চাকৰি এটা খালী আছিল। বৰবাবুৰে বৰুৱা চাহাবক নগদ পাঁচশ টকা চাহ খাবলৈ (?) দি চাকৰিটোত তাক গুজি দিলে। বৰবাবু, বৰুৱা চাহাব আদি সকলোৰে ওচৰত সেয়ে সি নিকিনা গোলামৰ দৰে আজিও উঠ কৰিলে উঠিব লাগে, বহ কৰিলে বহিব লাগে। প্ৰথম অৱস্থাত তথাপিও তাৰ সিমান বেয়া লগা নাছিল। অফিচৰ কামৰ সমস্ত তিক্ততা প্ৰতি শনিবাৰে ৰাতি ঘৰ পোৱাৰ পিচত সি যেন পাহৰিব পাৰিছিল। অধীৰ আগ্ৰহেৰে বাট চাই থকা মালতীৰ মুখখনৰ কথা মনত পেলাই সি শনিবাৰটো আহিলেই প্ৰচুৰ উৎসাহ লৈ ঘৰলৈ গৈছিল। এনেকৈ দিনবোৰ বাগৰি থকা হ'লে কথা নাছিল। কিন্তু এটা বছৰ এনেকৈ ঘূৰোতে কি নুঘূৰোতে যে কি হৈ গ'ল। ৰাংচালী মাকজনী — গাওঁৰ বিয়াই সবাহে নামে পৰবে ৰাতিক দিন কৰি গীত লগাই দিবলৈ নহ'লেই নোহোৱা মাকজনীৰ কঁকালত এদিনাখন যি বিষয়টোৱে খুপি ল'লে সিয়ে মানুহজনীক ক্ৰমে ক্ৰমে বিচনা এৰিব নোৱাৰা কৰিলে। তাৰোপৰি এটা বছৰ পাৰ নৌহওঁতেই কণমাইজনীৰো কপালখনত জুই লাগিব লাগেনে? মাত্ৰ সাদিনৰ জ্বৰতে গিৰিয়েক কাল হোৱাৰ পিচত শহুৰেকৰ ঘৰত অকথ্য অত্যাচাৰ গঞ্জনাৰ পৰিত্ৰাণ পাবলৈ তাৰ অতি মৰমৰ ভনীয়েক কণমাই এদিন যেতিয়া উকা কপাল এখন লৈ তাৰ ওচৰলৈ ঘূৰি আহিছিল সি পৰম

আশ্বাসেৰে আঁকোৱালি লৈছিল। কিন্তু সহ্যাতীত বেদনাত কোনেও নেদেখাকৈ সি কেবাদিনলৈকে কান্দিছিল। বিধাতাই সিহঁতক লৈ কি যে ৰং চাব খুজিছে সি যেন আজিও বুজিব পৰা নাই। সেয়ে আজিকালি ঘৰলৈ যাবলৈও তাৰ ভাল নেলাগে। তথাপিও সিযে যায়, যাব লাগে কাৰণেহে।

খেলি মেলি চিন্তা বিলাকে লেহেম কৰিব খোজা খোজ বিলাকৰ গতি বঢ়াই দি সি এইবাৰ বেগেৰে আগবাঢ়ি যাব ধৰিলে। বাছখন যেনে তেনে ধৰিবই লাগিব। মালতীয়ে নিব কোৱা সূতা কেই লেছা, গোপেশ্বৰ কবিৰাজে মাকৰ দিনে দিনে বাঢ়ি অহা বিষটোৰ বাবে কিনিব দিয়া ছয়টকীয়া ঔষধৰ বটলটো বাদ দি বাকী দুই পদ মান বস্তু ভৰাই লোৱা কাপোৰৰ মোনাটোৱে তাৰ পিঠিত অহৰহ কাঁইটে বিন্ধাদি বিন্ধি থাকিল। আচলতে মালতীয়ে দঢ়াই দঢ়াই কৈ পঠোৱা বস্তু কেইপদ গোটাব নোৱাৰা বাবে সি এইটো সপ্তাহত নাহিম বুলিয়ে ঠিক কৰিছিল। পিচে ৰাতিৰাম কাই যোৱা কালি তাক লগ ধৰি কথাটো কৈ যোৱাৰ পিচত তাৰ উশাহ চুটি হ'ল। যোৱা কালিয়ে সি আহিব খুজিছিল। ৰাতিকায়ো তাক সেইটোকে কৈছিল। পিচে অফিচৰ 'অদিত' চলি থকা সময়ত তাৰ সাতামপুৰুষীয়া আঠ বিঘা মাটিৰ সৌ সিদিনালৈকে তাৰ নিজৰ হৈ থকা তিনি বিঘা মাটিত গোঁসাই প্ৰভুৱে বন্ধকী পাঁচ বিঘাৰ লগতে হালজোৰা কথাটো যে কোনোমতে ভাঙৰ নহয় সেইটো কথাকে সি যোৱা কালি বৰুৱা চাহাবক বুজাই প্ৰত্যয় নিয়াব নোৱাৰিলে।

এইবাৰ সি কিছু দূৰত বাছখন দেখা পালে। বাছৰ চালতো বহু কেইজন মানুহ বহি লৈছে। ভিতৰত বহা থিয় হোৱা ঠাই বিলাক ঠাহ খাই পৰিলে মানুহবোৰে চালৰ ওপৰতো এনেকৈ বহি লয়। অৱস্থাটো দেখি সি বুজিলে বাছখন যাবলৈ বেছি পৰ নাই। সি এইবাৰ খোজবোৰ দৌৰত পৰিণত কৰিলে।

অৱশেষত সি বাছখনৰ ওচৰ পালেগৈ। তাক দেখি গাঁওৰে কণ্টি পেহাইটিয়ে চিঞৰি উঠিল ঃ 'হেৰৌ হলধৰ, ইমাননো দূৰকত আহিব পাৰনে ? আহ আহ বোপাই।'—বুলি পেহাইটিয়ে নিজে বহা ঠাই ডোখৰৰ কাষতে অকমান জেগা উলিয়াই দিলে। হলধৰ তাতে বহি পৰিল। ইমান দূৰ বাট বেগেৰে অহাত তাৰ ভাগৰ লাগিছিল। সি ঘন ঘনকৈ উশাহ লৈছিল। গালে মুখে বিয়পি পৰা ঘামবিলাক সি দুহাতেৰে মচি লৈছিল। মাল বজাই বস্তাৰ দৰে ইটোৰ গাত সিটো লাগি থকা মানুহবোৰৰ পৰস্পৰৰ গাৰ উত্তাপে পৰস্পৰক বিৰক্ত আৰু অতিষ্ঠ কৰি তুলিছিল। ষ্টাৰ্ট কৰিও বিলৰ পাৰৰ অতি লোভী বৰটোকালোটোৰ দৰে ৰই থকা ড্ৰাইভাৰ আৰু কণ্ডাক্টৰক উদ্দেশি দুই এজন অতিষ্ঠ যাত্ৰীয়ে অবাইছ ভাষাত গালি দিছিল। বাকীবোৰ যাত্ৰীয়েও কিবাকিবি কৈ নিজৰ তীব্ৰ অস্বস্তি আৰু বিৰক্তি প্ৰকাশ কৰিছিল।

ঘৰ্ ঘৰ্ শব্দ কৰি এসোপামান ধোঁৱা উলিয়াই দি বাছখন এটা সময়ত চলিব ধৰিছিল। বাছখনৰ ওপৰত হোৱা অন্যায় অত্যাচাৰৰ প্ৰতি-বাদতহে যেন বাছখনে তেনে শব্দ কৰিছিল

হলধৰৰ তেনে লাগিল ।

বাছখন চলাৰ লগে লগে হলধৰৰ ৰাতিৰাম কাইৰ কথাখিনি আকৌ এবাৰ মনলৈ আহিল । আকৌ এবাৰ তাৰ গা-টো ভুঁইকঁপ কঁপাদি কঁপি উঠিল । কলিজাটোত কিবা এটাই খামোচ মাৰি ধৰা যেন লাগিল । তাৰ অবিশ্বাসৰ চাপ চকুৰে মুখে দেখি ৰাতিৰামকাই কৈছিল ঃ সঁচাও হলধৰ, তোকনো মই মিছা ক'মনে । মই নিজ চকুৰে দেখি আহিছোঁ, গোঁসাইৰ মানুহে তোৰ মাটি-খিনিতো এইবেলি হাল জুৰিছে । আমোণাহঁতে ক্ষবলৈ যাওঁতে কৈছে, তোৰ সেইখিনিও হেনো বন্ধকীত । যোৱা দুবছৰে তোক হেনো মৰম কৰিহে ক্ষব দিছিল । এইবেলি আৰু নোৱাৰে । ..

ৰাতিকাইৰ কথাখিনি শেষ নৌহওঁতেই হলধৰে কিবা এটাৰ আতিশয্যত 'ৰাতিকাই' বুলি চিঞৰি উঠিছিল । অকণমান ল'ৰা এটাৰ হাতৰপৰা অতি আগ্ৰহেৰে লৈ থকা বস্তু এটা কোনোবাই আচম্বিতে কাঢ়ি নিলে ল'ৰাটোৱে যেনেকৈ কান্দি উঠে, ঠিক তেনেকৈ তাৰো হুকহুকাই কান্দি দিবৰ মন গৈছিল । বন্ধকী পাঁচ বিঘা কেতিয়াকৈ মোকলাব পাৰে তাৰ ইয়ত্তা নাই । দৰ্মহাৰ টকা কেইটাৰে খাবলৈ নোজোৰে । গতিকে সেই পাঁচ বিঘা যোৱাৰ লেখিয়াই । কিন্তু এই তিনি বিঘা । এই তিনি বিঘা সিতো বন্ধকীত দিয়া নাছিল । সি চাকৰিত যোৱাৰ পিচত যোৱা দুবছৰেতো আমোণাহঁতে তাতেই অধিয়াত খেতি কৰিছে । তাৰে যি দুটা ধান পায় তাৰে দৰ্মহাৰ পইচা কেইটাৰ লগত জোৰা-টাপলি মাৰিবলৈ লাগে । তেনেস্থলত গোঁসাই প্ৰভুৱে তাৰ তালুত কিয় এই মৰ কামোৰটো মাৰিলে ? গোঁসাই প্ৰভুক বিশ্বাস কৰি উকা কাগজখনত চহীটো দিয়া বুলিয়ে ইমানটো অধৰম কৰিব লাগেনে ? হলধৰৰ বহুত কথা তেতিয়াহে যেন পৰিষ্কাৰ হৈ গ'ল । ইমান্ দিনে মানুহজনৰ বিষয়ে সি বহুত কু-কথাকে শুনি আহিছে । সিহে বিশ্বাস কৰা নাছিল । তেজপিয়া বাঘ বুলি গোঁসাই প্ৰভুক যদি কোনোবাই গালি দিয়ে সি ওলোটাই সিহঁতকহে চুৰাখোৱা কুকুৰৰ জাত বুলি মনে মনে গালি দিছিল ।

হলধৰৰ মূৰৰ ভিতৰখনত হঠাৎ যেন জুই একুৰাহে জ্বলি উঠিল । চেৰেঙকৈ তাৰ মনত পৰিল, এইজনা মানুহৰে তিনি নম্বৰ পুতেক মাধৱ চৰণে যোৱা বছৰ নৈৰ ঘাটত অকলে পাওঁতে তাৰ বিধবা ভনীয়েকক অসৎ ব্যৱহাৰ কৰা নাছিলনে ? এক মাত্ৰাধিক উত্তেজনাত সি ওচৰত বহি থকা কণিট পেহাইটিৰ হাতখনত খামোচ মাৰি ধৰি প্ৰায় চিঞৰি উঠিল ঃ 'পেহা-ইটি, তহঁতি মোক কি কৰিবলৈ কৰ ।' ইমান বেলি কণিট পেহাইটিয়ে যেন তাৰ মতি গতিহে লক্ষ্য কৰি আছিল । ছেগ পাই কৈ উঠিল ঃ 'তাকেইতো বোপাই । আমি তোকেই বাট চাই আছোঁ । যোৱা কালিয়ে আহিবি বুলি ভাবিছিলোঁ । ইমান অধৰম ইমান অনিয়াম চকুৰ আগতেনো কেনেকৈ চাই থাকোঁ ।' এইবাৰ পেহাইটিয়ে মুখ-খন তাৰ কাণৰ নিচেই কাষলৈ নি সৰু অথচ যথেষ্ট উগ্ৰতাৰে কৈ গ'ল ঃ 'ৰাতিৰামে আজি ৰাতিলৈকে নামঘৰত মেল মাতিছে । ৰাতিৰাম সৰ্বেশ্বৰ, ধনেশ্বৰহঁতেও গাঁৱৰ মানুহখিনিক বুজাই

মেলি ফুৰিছে। মেজো মহাজন আৰু ৰমেশ মণ্ডলে বোলে আহিবলৈ টেঁটাইছে। কৈছে, লোকৰ কথা লোকৰ বতৰা। নিজৰ মাজতে 'ফয়চলা' কৰক, আমাক কেলৈ ? ··হেৰৌ, এই বিলাক কিবা 'ফয়চলা' কৰি লোৱা কথানে ? নাহক বোপাই। নাহক। সিহঁত নাহিলেও মেল হবই। ইয়াৰ কিবা এটা চৈ নচৈ হবই লাগিব। ইমান অধৰম·· ···।' খং আৰু আক্ৰোশৰ মিশ্ৰিত অনুভূতিত কন্টি পেহাইটিৰ মাতটো শেষলৈ অস্পষ্ট হৈ পৰিছিল।

এনেতে আগৰ দুবাৰ মানৰ দৰে ঘেৰেককৈ শব্দ এটা কৰি বাছখন ৰৈ গ'ল। সি চাৰিও ফালে চালে। বাণ্টাৰ দাঁতিৰ প্ৰকাণ্ড ঔ গছ দুজোপা তাৰ চকুত পৰিল। ঠিকেই, ভেবলা-বড়োৰ চ'ক এৰি আহিছে। মানে সিহঁত ইতি-মধ্যে আধা ৰাণ্টা পাৰ হৈ আহিছে। কিবা কিবি চিন্তাত সিহে টিং কৰা নাছিল। আন কিবাৰৰ দৰে কন্টি পেহাইটি আৰু হলধৰ আন জ্যান মানুহখিনিৰ লগতে চালখনৰ ওপৰৰপৰা নামি আহিল। সমুখত নামি অহা ৰাতিৰ বিপদ অনুমান কৰিয়ে বোধহয় আগৰ কিবা নমনা মানুহখিনিও এইবাৰ নামি আহিল। থম্ থম্‌কৈ প্ৰকাণ্ড হাতীটোৰ দৰে থিয় হৈ থকা বাছখন মানুহখিনিয়ে কিবা এক এক মদমত্ততাৰে ঠেলি-বলৈ ধৰিলে। হলধৰে আচৰিত হৈ লক্ষ্য কৰিলে যে, বেছি মানুহৰ ঠেলা পাই বাছখনে এইবাৰ অতি সোনকালে ঘৰ্ ঘৰ্ শব্দ কৰি পুনৰ চলিব খোজাৰ সঙ্কেত দিলে।

মানুহবোৰ লৰা-চপৰা কৰি চালত উঠি পৰিল। ভিতৰৰপৰা নমাখিনিয়ে পুনৰ পৰুৱাৰ দৰে ভিতৰলৈ সোমাই গ'ল। বাছখন এইবাৰ নতুন গতিত চলিবলৈ ধৰিলে। হলধৰৰ দৃঢ় অনুভৱ হ'ল, বাছখনে এইবাৰ আৰু ক'তো নোৰোৱাকৈ সিহঁতক গন্তব্যস্থল পোৱাই দিবগৈ।

# প্ৰবন্ধ

## বৌদ্ধধৰ্মৰ পটভূমি আৰু দাৰ্শনিক তাৎপৰ্য্য

—দ্বিজেন দাস

সমাজৰ সকলো চিন্তাধাৰা উদ্ভৱ হয় সামাজিক চিন্তাৰ সংঘাতৰপৰা। কোনো ব্যক্তি যিমানেই প্ৰতিভাৰ অধিকাৰী নহওক কিয়, সামাজিক সংঘাতক অস্বীকাৰ কৰি কোনো চিন্তাধাৰাৰ জন্ম দিব নোৱাৰে। সেয়ে গৌতম বা শঙ্কৰদেৱ আদিৰ চিন্তাধাৰাৰ পটভূমি ৰচনা হৈছিল সেই সময়ৰ সামাজিক চিন্তাৰ সংঘাতৰপৰা। গতিকে গৌতমৰ ধৰ্ম আৰু দাৰ্শনিক তাৎপৰ্য্যৰ প্ৰকৃত অৰ্থ আমি সেই সময়ৰ ভাৰতীয় সামাজিক পটভূমিত বিশ্লেষণ কৰিলেহে তাৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পাৰিম।

ভাৰতবৰ্ষত প্ৰবেশ কৰি সিন্ধু উপত্যকাত বসতি আৰম্ভ কৰা আক্ৰমণকাৰী আৰ্য্য সকলৰ জীৱন প্ৰণালী আছিল সহজ সৰল। শ্ৰম বিভাজন নঘটাত সমাজত শোষিত আৰু শোষণকাৰী শ্ৰেণীৰ উদ্ভৱ হোৱা নাছিল। ব্যক্তিগত জীৱনৰ পৰিবৰ্তে যৌথ সামাজিক জীৱন প্ৰণালীয়ে আছিল তেওঁলোকৰ বাচি থকাৰ একমাত্ৰ উপায়। দুৰ্যোগপূৰ্ণ জীৱন সংগ্ৰামে পৰস্পৰক পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছিল। এই ধৰণৰ ঐক্যতানৰ ধ্বনি ঋগ্‌বেদৰ শ্লোক সমূহত সুন্দৰভাৱে পৰিস্ফুট হৈছে। সকলো পণ্ডিতৰ মতে, ঋগ্‌বেদ্ হ'ল পঞ্জাব অঞ্চলক কেন্দ্ৰ কৰি বসবাস কৰা আৰ্যসকলৰ সামাজিক, সংস্কৃতিক আৰু ধৰ্মীয় জীৱন ধাৰাৰ দিনলিপি। সেই সময়ত তেওঁলোকৰ জীৱনধাৰা আছিল যাযাবৰী। অৰ্থনীতিৰ ভেঁটি আছিল পশুচাৰণ। গো পালন আছিল তেওঁলোকৰ মুখ্যবৃত্তি। সম্পত্তিৰ পৰিমাণ নিৰ্দ্ধাৰণ হৈছিল গৰুৰ সংখ্যাৰ ওপৰত। সম্পদশালী মানুহক গোমত (gomat) বুলি অভিহিত কৰা হৈছিল। গোপা (gɔpa) আৰু গোপতি (gopati) আছিল ৰজাসকলে ব্যৱহাৰ কৰা উপাধি।

সেই যুগত আৰ্য্যসকলৰ ধৰ্মীয় চিন্তা আছিল Primitive animism। চাৰিও পিনে দেখা অনিয়ন্ত্ৰিত আৰু অবোধ্য প্ৰকৃতি শক্তি সমূহক

তেওঁলোকে দেৱত্ব আৰোপ কৰি পূজা কৰিছিল। ইন্দ্র হ'ল ঋগ্ বৈদিক যুগৰ সৰ্বশক্তিমান দেৱতা— বজ্রধৰ আৰু অগ্নিনিধনকাৰী। আন আন দেৱতা হ'ল বায়ু, অগ্নি, মিত্র ইত্যাদি। গঙ্গা উপত্যকাৰ পলসুৱা মাটিত স্থায়ীভাবে বসতি বিস্তাৰ কৰিব ধৰাৰ পিছৰেপৰা আৰ্য্যসকলৰ প্ৰাচীন পশুচাৰণ অৰ্থনীতিত পৰিৱৰ্তন আহিব ধৰে। পশুচাৰণ অৰ্থনীতিৰ ঠাইত কৃষি অৰ্থনীতিয়ে আৰ্য্যৰ সামাজিক জীৱনক প্ৰভাৱান্বিত কৰিব ধৰে। উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কত পৰিৱৰ্তন দেখা দিয়াৰ ফলত সামাজিক বিন্যাসত পৰিৱৰ্তন অৱশ্যাম্ভাৱী হৈ পৰে। সৰল সহজ জীৱন প্ৰণালীৰ বিপৰীতে সমাজত ব্যক্তিগত সম্পত্তি আৰু শ্ৰম বিভাজনৰ প্ৰৱণতা দেখা দিয়ে। ফলত সমাজত সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ সৃষ্টি হয়। এক শ্ৰেণীৰ মানুহৰ ৰক্ষণা বেক্ষণ দিয়াৰ বাবে কিছুমান নতুন আচাৰ অনুষ্ঠানৰ সূত্ৰপাত হয়। তথাপিও ঋগ্ বৈদিক যুগত সামাজিক আৰু অৰ্থনৈতিক বৈষম্যই শক্তিশালী ৰূপ লোৱা নাছিল। কৃষকৰ Surplus উৎপাদন আত্মসাৎ কৰাৰ বিশেষ সুবিধা নাছিল। সমাজত বৰ্ণৰ উৎকট ৰূপে গা-কৰা নাছিল। সেয়ে ঋগ্ বেদত উল্লিখিত বৰ্ণ শব্দটি সামাজিক ব্যৱস্থাত প্ৰয়োগ কৰিব নোৱাৰি। কিন্তু পৰিৱৰ্তিত বৈদিক যুগত ব্যক্তিগত সম্পত্তি আৰু অৰ্থনৈতিক শোষণ নতুন আৰু শক্তিশালী ৰূপত দেখা দিবলৈ ধৰে। সমাজত আধিপত্য কৰাৰ প্ৰৱণতা উচ্চজাত আৰ্য্যৰ মাজত বিশেষভাবে গা-কৰি উঠে আৰু এই প্ৰৱণতাই উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ ওপৰত গভীৰভাবে ক্ৰিয়া কৰে। ফলস্বৰূপে, আৰ্য্য সমাজত দেখা দিয়ে শ্ৰমবিভাজন। সৃষ্টি হয় চতুৰ্বৰ্ণ। এই বৰ্ণ বিভাজনে আৰ্য্যৰ সামাজিক পিৰামিডক চাৰিটা স্তৰত বিভক্ত কৰে - প্ৰথম স্তৰ হ'ল ব্ৰাহ্মণ, দ্বিতীয় স্তৰ ক্ষত্ৰিয়, তৃতীয় স্তৰ বৈশ্য আৰু সৰ্বশেষ স্তৰ হ'ল শূদ্ৰ। নিজ স্বাৰ্থ পূৰণৰ অৰ্থে, সুবিধাভোগী শ্ৰেণীটোৱে চাৰি বৰ্ণক ধৰ্মীয় ৰূপত সমাজত থিয় কৰাৰ কৌশল অৱলম্বন কৰাৰ কথা পাহৰা নাছিল। সেইমতে পৰম ব্ৰহ্মৰ মুখৰপৰা নিৰ্গত হৈছিল ব্ৰাহ্মণ, বাহুৰপৰা জন্ম হৈছিল ক্ষত্ৰিয়, উৰুৰপৰা সৃষ্টি হৈছিল বৈশ্য আৰু ভৰিৰতলৰ পৰা জন্ম হৈছিল শূদ্ৰ। এইখিনিতে উল্লেখ কৰা ভাল হব যে, পৌৰাণিক যুগত বিশেষকৈ মনুস্মৃতিত শূদ্ৰসকলৰ সামাজিক অৱস্থা শোচনীয়ভাবে অধঃপতিত হৈছিল। শূদ্ৰই বেদ অধ্যয়ন কৰা বা শ্ৰৱণ কৰা অমাৰ্জনীয় অপৰাধ বুলি গণ্য কৰা কৰা হৈছিল। এই বৰ্ণ বিভাজন বা শ্ৰম বিভাজনৰ ফলত ব্ৰাহ্মণৰ কৰ্ত্তব্য হ'ল ধৰ্ম চিন্তা কৰা, ক্ষত্ৰিয়ৰ যুদ্ধ কৰা, বৈশ্যৰ বেপাৰ কৰা আৰু শূদ্ৰৰ কৃষিকাৰ্য্য কৰা। সময়ৰ গতিত বৈশ্য আৰু শূদ্ৰৰ কাৰ্য্য এক শাৰীত মিলিত হয় আৰু দুয়োটা শ্ৰেণীয়ে কৃষি-কাৰ্য্যত আত্মনিয়োগ কৰাৰ ফলত আন দুটি শ্ৰেণীৰ শোষণৰ অসহায় বলি হৈ পৰে। অৰ্থনৈতিক শোষণৰ ফলত আৰ্য্যৰ সহজ সৰল জীৱন প্ৰণালী সম্পূৰ্ণৰূপে ভাগি পৰে আৰু মানুহে জনজাতীয় জীৱনৰ আত্মীয়তা আৰু নিৰাপত্তা হেৰুৱাই শক্তি-শালী শ্ৰেণীৰ শোষণৰ বলি হব লগীয়াত পৰে। দৈহিক শ্ৰমৰ মৰ্য্যাদা সমাজত নষ্ট পোৱাত

সামাজিক পিৰামিডৰ উচ্চস্তৰত অৱস্থান কৰা ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ই আন দুটি শ্ৰেণীৰ শ্ৰম শোষণ কৰি আৰামদায়ক জীৱন নিৰ্বাহ কৰাৰ পথ সুগম কৰি ললে। কাৰণ দৈহিক শ্ৰম হ'ল তেওঁলোকৰ কাৰণে অমৰ্য্যাদাকৰ। 'In every society everywhere in the world labour is branded as undignified, hence all professions connected with manual labour became degraded in society.'

অৰ্থনৈতিক ভাঙনৰ প্ৰতিক্ৰিয়াই আৰ্য্যৰ ধৰ্মীয় জীৱনত আলোড়ন তোলে আৰু পৰিৱৰ্তিত ব্যৱস্থাৰ লগত খাপ খোৱাকৈ পুৰণি ধৰ্মীয় গাঁথনি নতুন ৰূপত বিন্যাস কৰা অপৰিহাৰ্য্য হৈ পৰে। সেয়ে চতুৰ্বৰ্ণ ব্যৱস্থাক ৰক্ষণা বেক্ষণ দিয়াৰ বাবে নতুন ধৰ্মীয় নীতি সৃষ্টি কৰাত সুবিধাভোগী ব্ৰাহ্মণ সকলে উঠি পৰি লাগে। ফলস্বৰূপে, উদ্ভৱ হ'ল ধৰ্মৰ ক্ষেত্ৰত নানা আচাৰ, যাগ-যজ্ঞ আৰু উপনিষদৰ সূক্ষ্ম দাৰ্শনিক পৰম ব্ৰহ্মৰ তত্ত্ব, আত্মা, পৰমাত্ম, জন্ম-মৃত্যু আদি নানা ধৰণৰ সূক্ষ্মাতিসূক্ষ্ম চিন্তাধাৰা। কিন্তু সেইবিলাক প্ৰশ্নই সমগ্ৰ সামাজিক জীৱনত জোকাৰণি তোলাৰ পৰিৱৰ্তে মাত্ৰ কেইজনমান বিদগ্ধ পণ্ডিতৰ মাজত সীমাবদ্ধ থাকি গ'ল। এইদৰে ধৰ্মীয় বিধি-নিষেধ, তন্ত্ৰ-মন্ত্ৰ, আচাৰ-অনুষ্ঠান, যাগ-যজ্ঞ যিমানেই জটিল হবলৈ ধৰিলে, বাহ্যিক সমাৰোহ সিমানেই বৃদ্ধি পাবলৈ ধৰিলে। ধৰ্ম হৈ পৰিল নিষ্প্ৰাণ আৰু স্পন্দনহীন। এই শ্ৰেণীটোৱে সামাজিক আধিপত্য ৰক্ষণা বেক্ষণ দিয়াৰ আন দুটি বৰ্ণ—বৈশ্য আৰু শূদ্ৰৰ ওপৰত জাপি দিলে শোষণ আৰু বৈষম্যৰ চৰম ট্ৰ্যাজিডি। বুদ্ধৰ যুগত কৃষি অৰ্থনীতিৰ গাঁথনিত আৰু পৰিৱৰ্তনে দেখা দিয়ে। দেশৰ ভূ-সম্পত্তি কিছুমান ক্ষত্ৰিয় পৰিয়ালৰ হাতত কেন্দ্ৰীভূত হয়। গৰুৰ পৰিৱৰ্তে মাটি আৰু মুদ্ৰাই সমাজৰ ঐশ্বৰ্য্য আৰু মান মৰ্য্যাদাৰ মাপ-কাঠি হৈ পৰে। সমাজত কৃষি মজুৰী আৰু দাস শ্ৰেণীৰ সৃষ্টি হয়। উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কৰ পৰিৱৰ্তনৰ ফলত সমাজৰ উপৰি সৌধতো পৰিৱৰ্তনে দেখা দিয়ে। সেই যুগত উত্তৰ পুব ভাৰতত মগধ আৰু কোশলৰ দৰে কিছুমান শক্তিশালী ৰাজতন্ত্ৰৰ স্থাপন হয় জনজাতীয় ৰাষ্ট্ৰৰ ধ্বংস সাধন কৰি। এই শক্তিশালী ৰাজতন্ত্ৰই নিৰ্মমভাবে জনসাধাৰণৰ ওপৰত শোষণ নিৰ্য্যাতন চলাইছিল। ফলস্বৰূপে, Tribal egalitarianism য়ে ৰাজতন্ত্ৰৰ ওচৰত আত্ম সমৰ্পণ কৰিব লগাত পৰে। এই নৱ স্থাপিত সমাজ ব্যৱস্থাৰ গাঁথনি কটকটীয়া কৰি ৰখাৰ কাৰণে দৰ্কাৰ হৈ পৰে নতুন আইন-কানুন প্ৰৱৰ্তন কৰা। এই নতুন আইন-কানুনৰ ৰায়দাতা ৰূপত নতুন শাস্ত্ৰ হাতত লৈ ব্ৰাহ্মণসকল আবিৰ্ভাৱ হয় ভাৰতীয় মঞ্চত। ধৰ্ম হৈ পৰে মানুহক শোষণ আৰু প্ৰৱঞ্চনা কৰা নতুন আহিলা। ফলত ব্ৰাহ্মণ সকলে লাভ কৰে প্ৰচুৰ সম্পদ আৰু দেখা দিয়ে উৎকট অৰ্থনৈতিক বৈষম্য। উদ্ভৱ হয় সামাজিক শ্ৰেণী দ্বন্দ্ব। এনে অৱস্থাত আড়ম্বৰপূৰ্ণ ব্যয়বহুল আৰু অনুষ্ঠান-সৰ্বস্ব ধৰ্মৰ প্ৰতি মানুহৰ মনত গভীৰ সংশয়ৰ উদ্ভৱ হবলৈ ধৰে।

পুৰোহিতসকলৰ ভুৱা প্ৰতিশ্ৰুতিৰ বিপৰীতে এক শ্ৰেণীৰ চিন্তাবিদে পৰলোকৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে ইহলোকতেই জীৱনৰ অৰ্থ বিচাৰি সৃষ্টি কৰে নতুন দাৰ্শনিক মতবাদ—লোকায়ত। এই দৰ্শনৰ প্ৰবক্তাসকলে কঠোৰ ভাষাত বেদক আক্ৰমণ কৰে। বেদৰ নামত এক শ্ৰেণীৰ ভণ্ড, ধূৰ্ত আৰু প্ৰতাৰকে সৰল মানুহক প্ৰতাৰণা কৰি জীৱন নিৰ্বাহ কৰা বুলি দোষাৰোপ কৰে। এই লোকায়ত দাৰ্শনিকসকলে অকল বেদকে আক্ৰমণ কৰি ক্ষান্ত নাছিল, সমাজৰ সকলো গোড়ামী, কুসংস্কাৰ আদিৰ বিৰুদ্ধেও জেহাদ ঘোষণা কৰিছিল। তেওঁলোকৰ মতে, ঈশ্বৰ বুলি কোনো বস্তু নাই। জগত আছে। এই জগতখন বিচিত্ৰ। জগতৰ বৈচিত্ৰ্য জগতৰ নিজস্ব স্বভাৱ। সেই জগতৰ কাৰ্য্যকাৰণ অনুসন্ধান কৰা বৃথা। ক্ষিতি, অপ্‌, তেজ আৰু মৰুৎ এই চাৰিটা ভূত বা পদাৰ্থৰ সংমিশ্ৰণেই দেহ। চৈতন্যবিশিষ্ট দেহেই আত্মা। দেহৰ ব্যতিৰেকত কোনো আত্মাৰ অস্তিত্ব নাই। চাৰি ভূত বা পদাৰ্থৰ সংযোগত চৈতন্যৰ উৎপত্তি। মৃত্যুৱেই দেহৰ শেষ মীমাংসা। সেয়ে যাগ যজ্ঞ, স্বৰ্গ, মোক্ষ, পৰলোক আদি সকলো কথা মিছা। সুখ দুখৰ সংমিশ্ৰণেই মানুহৰ জীৱন। মানুহৰ লক্ষ্য হোৱা উচিত দুখৰ বোজা লাঘৱ কৰি সুখৰ মাত্ৰা বৃদ্ধি কৰা।' Ancient Indian materialism was thus a philosophy of liberation from the irrationalism and superstitions fostered by brahmin priesthood. It was an iconoclastic creed challenging the domination of brahminism and shaking off the forces of inertia, religious conservatism and philosophical traditionalism based on economic status quo. ৩ আন এটি লক্ষ্য কৰিবলগীয়া কথা হ'ল, ধৰ্ম দিশত সৃষ্টি হোৱা বৈপ্লৱিক চিন্তাধাৰাক সেই সময়ৰ আৰ্থ সামাজিক সংঘাতৰ পৰা পৃথক কৰিব নোৱাৰি। কৃষি অৰ্থনীতিৰ সম্প্ৰাসাৰণৰ লগে লগে বিস্তৃতভাৱে বাণিজ্যিক দিশ মুকলি হৈছিল। বেপাৰ বাণিজ্যত আগভাগ লৈ বৈশ্য শ্ৰেণীটো যথেষ্ট সম্পদশালী হৈ পৰে আৰু সমাজত প্ৰতিপত্তি লাভ কৰাৰ কাৰণে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ফলত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় শ্ৰেণীটোৰ সামাজিক মৰ্য্যাদাৰ লগত বৈশ্যসকলৰ সংঘাত উপস্থিত হয়। অৰ্থনীতি, ধৰ্মীয় আৰু ৰাজনৈতিক দিশত সৃষ্টি হয় মানুহৰ মনত নানা খেলিমেলি আৰু সমাজত দেখা দিয়ে সংঘাত আৰু অস্থিৰতা।

সাধাৰণ অৰ্থত, ধৰ্ম শোষিত জনগণৰ আফিং। কিন্তু পাৰৱৰ্তিত সামাজিক আৰু ঐতিহাসিক পৰিস্থিতি বিশ্লেষণ কৰিলেহে সেই অৰ্থৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পাৰি। এক সময়ত ধৰ্মৰ মাধ্যমত মানুহে অজ্ঞতাৰে আৰু বিভ্ৰান্ত ভাৱে হলেও নিজৰ শঙ্কা আৰু আশা, আবেগিক প্ৰয়োজন (emotional needs) আৰু আকাংখা (aspirations) সামাজিক আৰু ঐতিহাসিক পটভূমিত প্ৰকাশ কৰি আহিছিল। মানুহৰ সেই মানৱিক প্ৰয়োজনৰ সম্বন্ধ ওতঃপ্ৰোতভাৱে

জড়িত আছিল সমাজৰ বাস্তৱ পৰিস্থিতিয়ে সৃষ্টি কৰা দ্বন্দ্বৰ ( Contradiction ) জগত। এনে ক্ষেত্ৰত ধৰ্মৰ সামাজিক ভূমিকা সম্পূৰ্ণৰূপে অস্বীকাৰ কৰাটো হ'ল অবৈজ্ঞানিক আৰু ইতিহাস বিৰোধী। এই বুলি এইটো জ্বলন্ত সত্য যে, বিশেষ সামাজিক পৰিস্থিতিত যুগে যুগে ধৰ্ম এক শ্ৰেণী মানুহৰ শোষণৰ হাতিয়াৰ হিচাবে ব্যৱহৃত হৈ আহিছে আৰু সকলো ধৰণৰ গোড়ামি কুসংস্কাৰ আৰু প্ৰগতি-বিৰোধী (obscurantism) মতবাদক ৰক্ষণাবেক্ষণ দি আহিছে। আনহাতে, ইতিহাস আৰু সামাজিক বাস্তৱ পৰিস্থিতিত শোষিত জনগণে ধৰ্মক সংগ্ৰামী আৰু প্ৰগতিৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰাৰ উদাহৰণো আছে। সেয়ে ধৰ্মীয় জীৱনৰ দুটা দিশ স্পষ্ট। এটি হ'ল শোষিত আৰু নিৰ্য্যাতিত মানুহৰ বাস্তৱ জীৱনৰ নিষ্ক্ৰিয় প্ৰতিবিম্ব আৰু সামাজিক স্থিতাৱস্থাৰ সহায়ক। আনটো হ'ল, মানুহৰ সামাজিক অন্যায়ৰ বিৰুদ্ধে সক্ৰিয় প্ৰতিবাদ আৰু নিজৰ সীমবদ্ধতা অতিক্ৰম কৰি সমাজত সঠিক মৰ্য্যাদা প্ৰতিষ্ঠা কৰাৰ সংগ্ৰাম। সেয়ে ইতিহাসৰ শ্ৰেণী সংগ্ৰাম ধৰ্মীয় দৃষ্টিত চলোৱা বুলি ক'লেও ভুল হোৱা যেন নেলাগে। নক'লেও হব, ব্ৰাহ্মণ্যবাদ, বৈদিক কৰ্মকাণ্ড, জাতিভেদ প্ৰথা, কুসংস্কাৰ, প্ৰগতি বিৰোধীবাদ আৰু অৰ্থনৈতিক সংঘাতৰ ফলত দিশহাৰা হোৱা শোষিত নিৰ্য্যাতিত মানুহক পথৰ সন্ধান দিয়াৰ কাৰণে আগবাঢ়ি আহিছিল দুজন মহাপুৰুষ — মহাবীৰ জৈন আৰু গৌতম বুদ্ধ। দুয়োজন মহাপুৰুষৰ ধৰ্মীয় চিন্তা আছিল প্ৰচলিত সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ। তেওঁলোকৰ চিন্তাধাৰাক খোৰাক যোগাইছিল সেই সময়ৰ শোষিত আৰু শোষণকাৰীৰ মাজত চলি থকা সামাজিক দ্বন্দ্বৰ পটভূমিয়ে।

বুদ্ধদেৱৰ বাণী, উপদেশ আৰু চিন্তাধাৰাক ভিত্তি কৰি গঢ়ি উঠে বৌদ্ধদৰ্শন। সেই বাণী সমূহক বৌদ্ধ শিষ্যবৰ্গই বিশেষকৈ নাগাৰ্জুনে দাৰ্শনিক ৰূপত দাঙি ধৰে। ইয়াৰ মাধ্যমত মানুহক ভৱতৃষ্ণা আৰু অবিদ্যাৰপৰা মুক্তি পথৰ সন্ধান দেখুৱাই দিয়া হয়। লোকায়ত দৰ্শনৰ নিচিনা বৌদ্ধ দৰ্শন ধৰ্মী গোড়ামি আৰু অতি শাস্ত্ৰীয় চিন্তাৰপৰা মুক্ত আৰু সমাজ সচেতন। বৈদিক কৰ্ম কাণ্ডক আক্ৰমণ কৰাৰ ক্ষেত্ৰত বৌদ্ধ দাৰ্শনিকসকল নিৰ্ভীক আৰু অচঞ্চল। তেওঁলোকৰ তীক্ষ্ণ আৰু সঠিক যুক্তিৰ সন্মুখত বৈদিক ধৰ্মৰ সমস্ত ৰহস্যবাদ, অলৌকিকতা আৰু অতীন্দ্ৰিয় ব্ৰহ্মতত্ত্ব থৰক বৰক কৈ কঁপি উঠিছিল।

বিশ্বধৰ্ম — প্ৰতীত্য সমুৎপাদ —

বুদ্ধৰ মতে, বিশ্বত কোনো বস্তুৱে স্থায়ী আৰু অপৰিবৰ্তনীয় নহয়। সমগ্ৰ বিশ্বত বিৰাম বিহীনভাৱে বস্তুৰ ৰূপান্তৰ আৰু পৰিৱৰ্তনৰ খেলা চলি আছে। সেইদৰে জন্ম আৰু মৃত্যু এটা চক্ৰাকাৰ অৱস্থাত চলি আছে। জগতত সত্তা বুলি কোনো বস্তুৰ অস্তিত্ব নাই, আছে উৎপাদা মন "Neither the matter nor substance nor soul existed as entity. There was no being, only becoming." অঙ্কুৰৰ লগত ধ্বংসৰ বীজ সংযুক্ত। এই দৃশ্যমান জগতখনত কোনো বস্তু শাশ্বত সনাতন নহয়। বস্তুক স্থায়ী বা অপৰিৱৰ্তনীয় দেখা

কাৰণ হ'ল আমাৰ ভ্ৰম ( Delusion )। এটা বস্তুৰ উৎপত্তিৰ কাৰণ তাৰ পৰৱৰ্তী বস্তুৰ ওপৰত নিৰ্ভৰশীল। "Nothing originated without effect. Every cause produced an effect and that in turn transformed into cause producing another effect." '8 এই ক্ৰমবিকাশৰ গতিৰ মাজত বিৰাজ কৰি আছে এটা নিয়ম।

## জীৱৰ স্বৰূপ - পঞ্চম স্কন্ধ

বৌদ্ধ দৰ্শনত বস্তু আৰু মন পৰস্পৰৰ ওপৰত আশ্ৰিত—এটাক বাদ দি আনটোৰ অস্তিত্ব থাকিব নোৱাৰে। বস্তু আৰু মনক পাঁচোটি স্কন্ধত বিভক্ত কৰা হৈছে—নামৰূপ স্কন্ধ, সংজ্ঞা স্কন্ধ, বেদনা স্কন্ধ, সংস্কাৰ স্কন্ধ আৰু বিজ্ঞান স্কন্ধ। এই পাঁচোটি স্কন্ধৰ সমষ্টিয়ে জীৱ। তাৰ বাহিৰে আন কোনো সূক্ষ্ম মনৰ অতীত সত্তাৰ অস্তিত্ব নাই।

## চাৰি আৰ্য্য সত্য

গৌতম বুদ্ধই ৰোগ, জৰা, শোক, মৃত্যুৰ ফলত মানুহৰ মনত সৃষ্টি হোৱা দুখক আঁতৰাবৰ বাবে কৰা চেষ্টাৰ ফলত লাভ কৰে বোধিত্ব। ইয়াৰ মৰ্ম হ'ল - চাৰি আৰ্য্য সত্য যেনে, দুখ আছে - প্ৰথম সত্য; দুখৰ উৎপত্তি আছে দ্বিতীয় সত্য; দুখৰ নিবৃত্তি আছে - তৃতীয় সত্য; দুখ নিবৃত্তিৰ উপায় আছে চতুৰ্থ সত্য। দুখোৎপত্তিৰ কাৰণ নুবুজা, দুখ নিৰোধৰ উপায় নুবুজা, দুখ নিৰোধৰ পথ বা মাৰ্গ উলিয়াব নোৱাৰাৰ কাৰণ হ'ল মানুহৰ অবিদ্যা। এই অবিদ্যাৰ ফলত মানুহে অপৰিসীম দুখ যন্ত্ৰণা ভোগ কৰিব লগীয়াত পৰে। মানুহে প্ৰকৃত পথত খোজ দি ভোগ-তৃষ্ণাক সম্পূৰ্ণ জয় কৰিব পাৰিলে দুখবাদৰপৰা মুক্ত হব পাৰে। এতিয়া এই দুখবাদক জয় কৰাৰ পথ কি? পথ হ'ল—আৰ্য্য অষ্ট মাৰ্গ —মধ্যম পথ।

## আৰ্য্য অষ্ট মাৰ্গ—মধ্যম পথ

দুখবাদক জয় কৰাৰ পথ হ'ল অষ্ট মাৰ্গ অনুকৰণ কৰি ভোগতৃষ্ণা সম্পূৰ্ণ জয় কৰা। এই পথক আৰ্য্য মাৰ্গ কোৱা হয়। ইয়াৰ আঠোটা অংগ আৰু চাৰিটা স্তৰ। এই অষ্টম মাৰ্গ সমূহ হ'ল - (১) সম্যক দৃষ্টি (২) সম্যক সংকল্প (৩) সম্যক বাক্ (৪) সম্যক কৰ্ম (৫) সম্যক জীৱন (৬) সম্যক চেষ্টা (৭) সম্যক স্মৃতি আৰু (৮) সম্যক আনন্দ বা সমাধি। এই আঠোটা মাৰ্গ নিষ্ঠাৰে অনুকৰণ কৰিলে মানুহে প্ৰকৃত জ্ঞান অৰ্জন কৰিব পাৰে।

## চাৰি শ্ৰামণ্য ফল

আৰ্য্য মাৰ্গ সাধনৰ চাৰিটা স্তৰ আছে। প্ৰথম স্তৰ হৈছে স্ৰোতপত্তি। স্ৰোতাপন্ন ব্যক্তিয়ে ক্ৰমে সৎকায় দৃষ্টিবদ্ধাৰা আত্মাৰ অস্তিত্ব থকা বুলি ভ্ৰান্ত ধাৰণাৰপৰা উদ্ভৱ হোৱা আত্মৰতি আৰু সন্দেহবাদক অতিক্ৰম কৰিব লাগিব। তাৰ পিচত অহং জ্ঞান আৰু আনুষ্ঠানিক ধৰ্মৰপৰা মুক্ত হৈ বুদ্ধ আৰু বুদ্ধৰ মত সম্বন্ধে নিসংশয় হব পাৰিলে প্ৰথম স্তৰত উপনীত হব পাৰে। এই অৱস্থাক স্ৰোতপত্তি বুলি কোৱা হয়। স্ৰোতাপন্ন সাধকে ক্ৰমে লোভ, দ্বেষ, মোহ—এই তিনি কিঞ্চন (মল) বা অকুশলক সম্পূৰ্ণ জয় কৰিব নোৱাৰিলেও বশীভূত কৰিব পাৰে। এইটো হ'ল দ্বিতীয় স্তৰ।

ইয়াক সৎকৃতগামী ৰূপ বুলি কোৱা হয়। ইয়াৰ পিচৰ স্তৰটিক অনাগামী ফল বোলে। অৰ্থাৎ যদিও এই স্তৰত মানুহৰ ভ্ৰান্তি সম্পূৰ্ণ দূৰ নহয়, তথাপি পশ্চাদগমনৰ ভয় নেথাকে। বাস্তৱ আৰু অবাস্তৱ আনন্দৰ প্ৰতি অনুৰাগ, গৰ্ব্ব, অহঙ্কাৰ আৰু বস্তুৰ সত্যস্বৰূপ সম্বন্ধে থকা অজ্ঞতাৰ দেৱাল অতিক্ৰম কৰিব পাৰিলে মানুহে যি অৱস্থাত উপনীত হয় তাক অৰ্হত্ব বুলি কোৱা হয়। এই অৱস্থা পালে সমস্ত দুখৰ কাৰণ শেষ হয়, আৰু সমস্ত অপৱিত্ৰতা নিঃশেষ হয়। এই অৱস্থাক নিৰ্বাণ বুলি কোৱা হয়। সেই নিৰ্বাণ কি ?

## নিৰ্বাণ—অৰ্হত্ব

মানুহে যেতিয়া অৰ্হত্ব প্ৰাপ্ত হয় তেতিয়া আহি পৰে নিৰ্বাণ। নিৰ্বাণৰ অৰ্থ হ'ল জুই নুমোৱা। অৰ্থাৎ জীৱৰ ভৱ তৃষ্ণা সম্পূৰ্ণ উপশম কৰা আৰু ভৱ দশাৰ অন্ত পেলোৱা। সম্ভৱত জীৱৰ অস্তিত্ব নাইকিয়া হৈ যোৱাটো বুজাবলৈ বৌদ্ধধৰ্মত নিৰ্বাণ শব্দটি ব্যৱহাৰ কৰা হৈছে। নিৰ্বাণ এটি নাস্তিবাচক অৱস্থা। বৌদ্ধ দৰ্শনত আত্মা বা দেহাতীত কোনো সত্তাৰ অস্তিত্ব নাই। আছে পঞ্চস্কন্ধৰ সমষ্টি। এই পঞ্চস্কন্ধৰ উৎপত্তিৰ হেতু হ'ল তৃষ্ণা আৰু অবিদ্যা। প্ৰত্যেক জীৱই চেষ্টাৰ বলত চাৰিটা স্তৰ অতিক্ৰম কৰি প্ৰজ্ঞা লাভৰ দ্বাৰা তৃষ্ণা আৰু অবিদ্যাক জয় কৰি নিৰ্বাণ লাভ কৰিব পাৰে।

## বুদ্ধৰ মৌনত্ব—

বুদ্ধই ঈশ্বৰৰ অস্তিত্ব, আত্মা আদিৰ প্ৰশ্নৰ ক্ষেত্ৰত মৌনতা অৱলম্বন কৰিছে। কিন্তু সেই মৌনতাৰ মাজৰপৰা বুদ্ধৰ মতৰ আভাস পাব পাৰি। ঈশ্বৰৰ অস্তিত্ব, আত্মাৰ অস্তিত্ব আদি হ'ল স্বৰূপানুভূতি আৰু অতীন্দ্ৰিয় অভিজ্ঞতা (Mystic experience)। অতীন্দ্ৰিয় অভিজ্ঞতাৰ প্ৰতি বুদ্ধৰ কোনো আকৰ্ষণ বা আস্থা নাছিল। সেয়ে সেইবোৰ প্ৰশ্নক তেওঁ এৰাই থোৱা বা সেই ক্ষেত্ৰত মৌনতা অৱলম্বন কৰাটো স্বাভাৱিক বুলি ভাবিবৰ থল আছে। 'The question of the existence or non existence of God could not be for Buddha just as much important as any other metaphysical question, for he was particularly interested in working out a practical programme for the emancipation of mankind from suffering." তেওঁৰ লক্ষ্য আছিল মানুহক দুখৰপৰা নিবৃত্তি দিয়া। সেয়ে বুদ্ধই দাঙি ধৰে এখনি সৰ্বনিম্ন বাস্তৱ কাৰ্য্যসূচী আৰু সেই কাৰ্য্যসূচীখনৰ দৃষ্টিত ঈশ্বৰ আৰু আত্মাৰ প্ৰশ্ন আছিল অবান্তৰ।

## বৌদ্ধ দৰ্শনৰ বিচ্যুতি

বুদ্ধৰ অনুগামীসকল অহিছিল সমাজৰ বিভিন্ন স্তৰৰপৰা। সময়ৰ সোঁতত অনুগামীসকলৰ মাজত দ্বন্দ্ব আৰু মতভেদ গঢ়ি উঠিব ধৰে। বিশেষকৈ গৌতমৰ মৃত্যুৰ পিচত সেই মতভেদে সুস্পষ্ট ৰূপ লয় আৰু বুদ্ধৰ বাণী আৰু উপদেশ সমূহৰ ব্যাখ্যাত শিষ্যসকলৰ মাজত তীব্ৰ মতানৈক্য দেখা দিয়ে। ফলত বৈশালীত বহা বৌদ্ধ মহামেলত সংঘৰ নিয়ম আৰু শৃঙ্খলাক শিথিল

কৰা হয় আৰু বোধিতত্বক মানুহৰ সহজলব্ধ গুণি বুলি মত পোষণ কৰা হয়। কণিষ্কৰ পৃষ্ঠপোষকতাত অশ্বঘোষৰ নেতৃত্বত "হীনযান" মতবাদৰ বিপৰীতে "মহাযান" বৌদ্ধ ধৰ্ম প্ৰতিষ্ঠা কৰা হয়। বুদ্ধই ধৰ্ম প্ৰচাৰ কৰা সময়ত মানুহৰ পৰা পাইছিল অপৰিসীম শ্ৰদ্ধা আৰু ভক্তি। কিন্তু ব্যক্তি পূজাৰ প্ৰতি তথাগত আছিল সম্পূৰ্ণ বিৰূপ। নিজক দেৱতা বুলি গণ্য কৰিবলৈ বা শিষ্যবৰ্গক মূৰ্তি বা প্ৰতিকৃতি গঢ়ি পূজা কৰা সম্পূৰ্ণ নিষেধ কৰিছিল। কিন্তু ক্ৰমশঃ তেওঁৰ জীৱন-কথা, বোধিসত্ব ৰূপত তেওঁৰ পূৰ্ব্বজন্মৰ বিচিত্ৰ কাহিনী, তেওঁৰ অলৌকিক শক্তি সম্বন্ধে কিম্বদন্তী বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ফলত বুদ্ধক দেৱতা হিচাবে গণ্য কৰা অনিবাৰ্য্য হৈ পৰে। সেয়ে 'মহাযান' মতবাদত বুদ্ধক লোৱা হ'ল পূজিত দেৱতা হিচাবে। বৌদ্ধ ধৰ্মৰ এই পৰিৱৰ্তন অনিবাৰ্য্য হৈ উঠিছিল অৰ্থনৈতিক অৱস্থাই সৃষ্টি কৰা সামন্তবাদৰ ফলত।


(১) Sudras in Manu—by C. Tiwari· p-17.

(২) দৰ্শনেৰ ইতিবৃত্ত- মনোৰঞ্জন ৰায়। পৃষ্ঠা-১২৭।

(৩) Man and Society in Indian Philosophy, by K. Damodaran. p-39.

(৪) Ibid— p-46.

(৫) Ibid— p -46.

(ক) Indian atheism—by· Debi Prasad Chattopadhyaya

(খ) দৃষ্টি আৰু দৰ্শন—ভবানন্দ দত্ত

(গ) ভাৰতবৰ্ষেৰ ইতিহাস—অধ্যাপক হীৰেন্দ্ৰ নাথ মুখোপাধ্যায়. ex-M. p.।

প্ৰবন্ধ

# মাদাৰ টেৰেছা : মানৱ সেৱা যাৰ অন্য এক পৰিচয় ।

শ্ৰীমঞ্জুলা দাস
২য় বাৰ্ষিক, স্নাতক মহলা

মাদাৰ টেৰেছা ! এয়াতো মাথোঁ এটি নাম নহয় । এয়া হ'ল এক শিহৰণ । এক বিস্ময় । দৰিদ্ৰতা আৰু ৰুগ্নতা, ক্লেশ আৰু পঙ্কিলতা বিধূসৰিত পৃথিৱীত শান্তি আৰু আশাৰ এয়া হ'ল এগছি অক্ষয় বন্তি, যাৰ শান্ত সৌম্য মূৰ্তি দেখিলে শ্ৰদ্ধাত মূৰ অৱনত হয়, অজানিতে হিয়া শাঁত পৰি যায় । ঊনসত্তৰ বছৰীয়া বিশ্ববন্দিতা এই গৰাকী নাৰী মূৰ্তিক সেয়ে বিশ্বই বন্দনা কৰিলে ১৯৭৯ চনৰ শান্তিৰ ন'বেল বঁটা প্ৰদান কৰি । নক'লেও হব, সমগ্ৰ বিশ্বৰ বুকুত নিজৰ কোমল হাতৰ পৰশেৰে মাদাৰ টেৰেছাই যিবোৰ অনুষ্ঠান, প্ৰতিষ্ঠান গঢ়ি তুলিলে, যিমানবোৰ অসহায়, ৰুগ্ন, আশ্ৰয়হীন আৰু ক্ষুধাতুৰক অন্ন সংস্থান দিলে, যিমানবোৰ পঙ্গু অৱহেলিত শিশু আৰু পতিতা ধৰ্ষিতা নাৰীক দুবাহু মেলি আলফুলে সাৱটি ল'লে তাৰেই প্ৰতিদান স্বৰূপে বিশ্বই তেখেতলৈ আগবঢ়ালে শান্তিৰ ন'বেল বঁটা । যশস্যা, সম্পদ আৰু ঐশ্বৰ্য্যাই টলাব নোৱাৰা স্থিতপ্ৰজ্ঞ ঋষিৰ দৰে ১ লাখ ৯০ হেজাৰ মাৰ্কিন ডলাৰৰ (ভাৰতীয় টকাৰ হিচাপত প্ৰায় ১৬ লাখ টকা) এই অতি লোভনীয় বঁটা পায়ো মাদাৰ টেৰেছা হৈ ৰ'ল ধীৰ স্থিৰ । আবেগহীন শান্তস্বৰে তেওঁ ক'লে,—এই পুৰস্কাৰে প্ৰমাণ কৰে যে, দুখীয়াক সেৱা কৰা আৰু ঈশ্বৰক সেৱা কৰা একেই কথা । পৃথিৱীৰ দৰিদ্ৰতম মানুহৰ নামত এই বঁটা গ্ৰহণ কৰিছোঁ । এই পুৰস্কাৰ মোৰ নহয়, পৃথিৱীৰ দীন দৰিদ্ৰ মানুহৰ ।

মাদাৰ টেৰেছা আচলতে মাদাৰ টেৰেছা হৈ ভাৰতলৈ অহা নাছিল । জন্মিছিল যুগোশ্লাভিয়াৰ স্কোপয়ে নামৰ ঠাইত ১৯১০ চনত এটি এল-বেনিয়ান কৃষক পৰিয়ালত । সৰুকালৰ নাম আছিল এগ্‌নেছ । তেওঁৰ পৰিয়াল আছিল কেথলিক খৃষ্টান ধৰ্মাৱলম্বী । সেয়েহে সৰুকালৰ পৰাই যীশুৰ সেৱাৰ প্ৰতি তেওঁৰ স্পৃহা আছিল প্ৰবল । বাৰ বছৰ বয়সতে তেওঁৰ মানৱ সেৱাৰ মনোভাৱ স্পষ্টভাৱে প্ৰতিফলিত হৈছিল খৃষ্টান "জেচুইট্‌ছ"সকলৰ সংস্পৰ্শলৈ অহাত । পঢ়ি থকা অৱস্থাতেই তেওঁ Sodalist সন্থাৰ সভ্যা হৈ এই সন্থাত যোগ দিছিল । যীশুৰ সেৱাৰ প্ৰতি আগ্ৰহ দিনে দিনে বাঢ়িবলৈ ধৰা সময়ত তেওঁ গম পালে

যে, কলিকতাত মিছনেৰি সেৱাৰ বাবে যীশুৰ বাণী প্ৰচাৰকৰ আৱশ্যক হোৱাত যুগোশ্লাভিয়ালৈ খবৰ পঠিয়াইছে। এই খবৰ এগনে'ছে পাই আনন্দত আত্মহাৰা হৈ পৰে। তেওঁ তেতিয়াই শুনিলে ঈশ্বৰৰ আহ্বান। তেতিয়াই দেখিলে মিছ-নেৰি সেৱাত ব্ৰতী হৈ জীৱন কটোৱা মধুৰ সপোন আৰু তেতিয়াই জানিলে যে তেওঁৰ ভবিষ্যত কৰ্মস্থান হব ভাৰতবৰ্ষ। সেয়া আছিল ১৯২৮ চন। এগ্‌নে'ছৰ বয়স তেতিয়া ১৮ বছৰ।

যীশুৰ সেৱা তথা মানৱ সেৱাৰ উদ্দেশ্য সমুখত লৈ এগনে'ছে যাত্ৰা আৰম্ভ কৰিলে ১৯২৮ চনৰ ২৯ নৱেম্বৰ তাৰিখে। স্বদেশত এৰি থৈ আহিল পিতৃ-মাতৃ, ভাই ভনী, আত্মীয়-স্বজন। মানৱ সেৱাৰ উদাত্ত আহ্বানত পৰাভূত হ'ল স্বদেশৰ স্বগৃহৰ মোহ। ভাৰতলৈ অহাৰ আগতে আয়াৰ ল্যাণ্ডৰ লৰেটোৰ 'নান'সকলৰ লগত যোগাযোগ কৰিলে আৰু ডাব্‌লিনলৈ গৈ 'লৰেটো এবী'ত যোগ দিলে। তেতিয়াৰপৰাই এগনে'ছ হ'ল 'নান'। তাতে এটা বছৰ সেৱা কাৰ্য্য চলোৱাৰ পিচত আৰু ইংৰাজী ভাষা আয়ত্ব হোৱাত তেওঁ কলি-কতালৈ আহে।

এগনে'ছে কলিকতাৰ জীৱন আৰম্ভ কৰে চেণ্ট্‌মেৰীজ স্কুলৰ শিক্ষয়িত্ৰী হিচাবে। প্ৰথমে তেওঁ ভূগোলৰ পাঠদান কৰিছিল; পিচত ছাত্ৰী বিভাগৰ পৰিচালিকা আৰু তাৰ পিচত শিক্ষানুষ্ঠানৰ অধ্যক্ষা পদ পায়গৈ। কিন্তু চাকৰিয়ে তেওঁৰ মুক্ত মনত সন্তোষ দিব নোৱাৰিলে। তেওঁ মনৰ ভিতৰত শুনিবলৈ পালে দুখীয়া দৰিদ্ৰৰ আৰ্ত্ত আহ্বান। কলিকতাৰ ফুট পাথ আৰু বস্তি অঞ্চলৰ জৰা-জীৰ্ণ মানুহখিনিৰ দুখ যন্ত্ৰণাই এগনে'ছৰ অন্তৰত বেদনাৰ জোৱাৰ তুলিলে। তেওঁৰ মন চাপলি মেলিলে এই মানুহবোৰৰ মাজলৈ। অৰ্থৰ মোহ, ক্ষমতাৰ লোভ, লাহ-বিলাহ, ৰং-ৰহইছ একোৱে এগনে'ছক বাধা দিব নোৱাৰিলে। দৃঢ়মন দৃঢ়তৰ কৰি তেওঁ আগবাঢ়িল তেওঁৰ পথত। যুগোশ্লাভিয়াৰ এগনে'ছ তেতিয়া হেৰাই গ'ল চিৰ-দিনৰ বাবে। জন্ম হ'ল টেৰেছাৰ—মেৰী টেৰেছাৰ। টেৰেছা নামটো অৱশ্যে কেইবছৰমান আগতে দাৰ্জিলিঙত যীশুৰ সেৱাকে জীৱনৰ ব্ৰত হিচাবে লবলৈ শপত গ্ৰহণ কৰোঁতেই দিয়া হৈছিল।

কলিকতাৰ হাটেবাটে অলিয়ে গলিয়ে ফুৰি টেৰেছাৰ যি দুঃসহ অভিজ্ঞতা হ'ল সি তেওঁৰ মন অস্থিৰ কৰি তুলিলে। খাবলৈ নেপাই মৃত্যুৰ ক্ষণ গণি পৰি থকা মানুহবোৰৰ হিয়াভগা হুমু-নিয়াহ, অবাঞ্ছিত অনাথ শিশুৰ কান্দোনৰ ধ্বনি, পতিতাসকলৰ অসহায় চাৱনিয়ে টেৰেছাৰ কোমল অন্তৰ উপৰ্যুপৰি আঘাতেৰে থকা-সৰকা কৰিলে। তেওঁ এইসকলৰ মাজলৈ আহি তেওঁলোকক উদ্ধাৰ কৰিবলৈ ৰোমৰ পোপলৈ অনুমতি খুজি আবেদন কৰিলে। অনুমতি পাই টেৰেছাই ধাত্ৰী বিদ্যাৰ প্ৰশিক্ষণ লবলৈ পাটনাৰ "আমেৰিকান মেডিকেল মিছনেৰী চিণ্টাৰ" অনুষ্ঠানলৈ গ'ল। তাতে তেওঁ তিনিমহীয়া প্ৰশিক্ষণ শেষ কৰি ৰেভাৰেণ্ড মাদাৰ টেৰেছা নামেৰে বিভূষিত হৈ ঘূৰি আহে। তেতিয়াৰপৰা চিণ্টাৰ মেৰী টেৰেছা হৈ পৰিল মাদাৰ টেৰেছা।

১৯৪৬ চনৰ ১০ চেপ্তেম্বৰৰ দিনটো মাদাৰ টেৰেছাৰ জীৱনৰ এটি স্মৰণীয় দিন। স্কুল বন্ধ

থকাত মাদাৰ টেৰেছা ৰেলগাড়ীৰে আহি আছিল কলিকতাৰপৰা দাৰ্জিলিং অভিমুখে। আৰ্ত্তজনৰ কথা সততে চিন্তা কৰি থকা মাদাৰ টেৰেছাই ঠিক যেন সেইখিনি সময়তে শুনিবলৈ পালে ঈশ্বৰৰ আহবান—চাকৰি জীৱনৰ মোহ এৰি থৈ তেওঁ ওলাই আহিব লাগে বিশ্বৰ দৰিদ্ৰতমসকলৰ সেৱাৰ বাবে। চাকৰি ইস্তফা দিয়াৰ অনুমতি বিচাৰি পোপলৈ লিখিলে। অনুমতি নেপাই আৰু দুবছৰলৈ অৰ্থাৎ ১৯৪৮ চনলৈ মাদাৰ টেৰেছা আৱদ্ধ হৈ থাকিল কনভেণ্টৰ চাৰিবেৰৰ মাজত।

১৯৪৮ চনত পোপৰ অনুমতি পাই তেওঁ যেতিয়া সেৱাৰ অভিযান আৰম্ভ কৰে তেতিয়া তেওঁৰ হাতত সম্বল বুলিবলৈ একোৱে নাছিল। তথাপিও মাদাৰ টেৰেছা হতাশ নহ'ল, পিছ হুঁহকি নগ'ল। দৰিদ্ৰ জনতালৈ বুকুভৰা প্ৰেম, কৰ্তব্যৰ প্ৰতি থকা দৃঢ় সঙ্কল্প আৰু নিজৰ ওপৰত থকা গভীৰ বিশ্বাসেই আছিল এই অভিযানৰ একমাত্ৰ মূলধন। ঈশ্বৰ হ'ল তেওঁৰ সহায়। দৰিদ্ৰ জনতাৰ সেৱাৰ প্ৰতি মাদাৰ টেৰেছাৰ আন্তৰিকতা দেখি পোপে তেওঁক আৰু দুবছৰলৈ কনভেণ্টৰ বাহিৰত থকাৰ অনুমতি দিলে। কিন্তু তেওঁৰ সেৱা আৰু মহত্বৰ বিস্তৰ চিনাকি পোৱাৰ পিছত ১৯৫০ চনত তেওঁক অনুমতি দিলে এটি স্বতন্ত্ৰ সংগঠন গঢ়িবলৈ। এনেকৈয়ে জন্ম হ'ল—'মিছনেৰীজ অৱ চেৰিটী'ৰ। ১৯৪৮ চনৰ ২১ ডিচেম্বৰ তাৰিখে এই পবিত্ৰ অনুষ্ঠানটিৰ শুভ উদ্বোধন হৈছিল। প্ৰথম বছৰ কেইটাত তেওঁ এই অনুষ্ঠানটো অতি কষ্টেৰে পৰিচালনা কৰিব লগীয়া হৈছিল। বহুদিন তেওঁ নিজৰ হাতত থকা ট্ৰাম ভাৰাখিনিকে লঘোণীয়া পেটে থকা দৰিদ্ৰ সকলক দান কৰি খোজ কাঢ়ি ঘৰ ওলাইছিলগৈ।

১৯৫২ চনত মাদাৰ টেৰেছাই দুখীয়া আশ্ৰয় হীন সকলৰ আশ্ৰয়ৰ বাবে আন এটি অনুষ্ঠান 'নিৰ্মল হৃদয়' (Home for Dying Destitute) গঠন কৰিলে। এই অনুষ্ঠান গঢ়ি উঠাৰ অন্তৰালত আছে ফুটপাথত পৰি থকা এজনী কঙ্কালসাৰ ভিক্ষাৰিণীৰ মৰ্মন্তুদ কাহিনী। ৰাস্তাৰপৰা বুটলি অনা তিৰোতাজনীৰ আশ্ৰয় গৃহ হিচাবে যি 'নিৰ্মল হৃদয়'ৰ জন্ম হ'ল তাত বৰ্তমানলৈকে প্ৰায় দুকুৰি হাজাৰ আশ্ৰয়হীন লোকক আশ্ৰয় দিয়া হৈছে। প্ৰতিজন নিৰাশ্ৰয় লোকেই ইয়াত মাদাৰ টেৰেছাৰ নিঃস্বাৰ্থ প্ৰেমত প্ৰাণ পাই উঠিছে।

ইয়াৰ উপৰিও ১৯৬৯ চনত মাদাৰ টেৰেছাৰ সহকৰ্মী সকলৰ 'আন্তৰ্জাতিক সংঘ' গঢ়ি উঠে। এই সংঘত পৃথিবীৰ সকলো দেশৰ লোকে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে যোগ দিব পাৰে।

মাদাৰ টেৰেছাই পোনতে কলিকতাতেই সেৱা কাৰ্য্যৰ পাতনি মেলিছিল যদিও লাহে লাহে ইয়াৰ পৰিসৰ বৃদ্ধি হৈ গোটেই ভাৰতত্তে বিস্তৃত হৈ পৰিল। গোটেই ভাৰতৰ জনসাধাৰণে তেওঁলৈ সহায়ৰ হাত আগবঢ়ালে। ফলস্বৰূপে, টেৰেছাই ভাৰতৰ বিভিন্ন ঠাইত শতাধিক সেৱাকেন্দ্ৰ স্থাপন কৰি হেজাৰ হেজাৰ অনাথ শিশু আৰু দুস্থ ৰোগীক আশ্ৰয় আৰু চিকিৎসা দিবলৈ সক্ষম হৈছে। এই সেৱা কেন্দ্ৰ সমূহৰ কিছুমান কেন্দ্ৰ 'মিছনেৰীজ অৱ চেৰিটী'ৰ শাখাই আৰু কিছুমান কেন্দ্ৰ 'মিছনেৰী ব্ৰাডাৰ্চ অৱ চেৰিটী' শাখাই পৰিচালনা কৰে।

অকল ভাৰততেই যে তেওঁ সেৱাৰ কৰ্মক্ষেত্ৰ কৰি লৈছে, এনে নহয়। পৃথিবীৰ আন আন দেশলৈকো তেওঁ আগবঢ়াইছে নিঃস্বাৰ্থ প্ৰেম আৰু সেৱা। ভাৰতৰ অনাথ অনাশ্ৰয় সকলৰ দৰে এই দেশ সমূহৰ অনাথ অনাশ্ৰয় সকলেও মাদাৰ টেৰেছাৰ প্ৰেমৰ পৰশত প্ৰাণ পাই উঠিছে। ১৯৬৫ চনত ভাৰতৰ বাহিৰৰ প্ৰথমখন প্ৰতিষ্ঠান গঢ়ি উঠে ভেনিজুৱেলাত। তাৰ পিছত ১৯৬৭ চনত আনখন গঢ় লয় কলম্বোত, ১৯৬৯ চনত অষ্ট্ৰে-লিয়াত, ১৯৭০ চনত জৰ্ডান আৰু লণ্ডনত। এনেকৈয়ে মাদাৰ টেৰেছাই বৰ্তমানলৈকে পৃথিবীৰ চৈধ্যখন দেশলৈকে সেৱা কাৰ্য্য আগবঢ়াইছে।

বৰ্ণনা দি অন্ত কৰিব নোৱাৰা মাদাৰ টেৰে-ছাৰ সেৱা কাৰ্য্যৰ স্বীকৃতি স্বৰূপে ১৯৭৯ চনৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱাত আচৰিত হব লগীয়া একো নাই। আচলতে এই পুৰস্কাৰে মাদাৰ টেৰেছাক যিমান ধন্য কৰিছে, তাতকৈ বহু বেছি ধন্য হৈছে নিজে। ইয়াৰ আগতেও দুবাৰ- ১৯৭৫ আৰু ১৯৭৬ চনত ন'বেল বঁটাৰ কাৰণে মাদাৰ টেৰেছাৰ নাম প্ৰস্তাৱিত হৈছিল। কিন্তু এই বিশেষ বছৰটোত প্ৰস্তাৱিত মুঠ ৫৬ গৰাকী লোকৰ ভিতৰত ন'বেল কমিটিয়ে বাছি ললে মাদাৰ টেৰেছাক। 'আন্তৰ্জাতিক শিশুবৰ্ষত মাদাৰ টেৰেছাৰ বাহিৰে এই পুৰস্কাৰৰ বাবে উপযুক্ত দ্বিতীয়জন ব্যক্তিয়েবা কোন ?

ন'বেল বঁটা পোৱাৰ আগতেও তেওঁলৈ সন্মান প্ৰদৰ্শন কৰি বহুবোৰ পুৰস্কাৰ আগবঢ়োৱা হৈছিল। ভাৰতত তেওঁ যিবোৰ মহৎকাৰ্য্য সম্পন্ন কৰিলে সেইবোৰৰ বাবে ভাৰত চৰকাৰে ১৯৬৩ চনত তেওঁলৈ সন্মানপূৰ্বক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে। একেচনতে ফিলিপাইন চৰকাৰে তেওঁলৈ 'মেগ্‌ছেছে' বঁটা আগবঢ়ায়। ১৯৭০ চনত পোপ পলে পোপ ত্ৰয়োবিংশ জনৰ নামত নতুনকৈ প্ৰৱৰ্ত্তন কৰা বঁটাৰ পোনপ্ৰথম পাত্ৰী ৰূপে নিৰ্বা-চন কৰে মাদাৰ টেৰেছাক। ১৯৭১ চনত তেওঁ 'জোচেফ কেনেডী জুনিয়ৰ বঁটা' লাভ কৰে। ১৯৭২ চনত আন্তৰ্জাতিক বুজাপৰাৰ বাবে তেওঁ জৱহৰলাল নেহৰু বঁটা লাভ কৰে। ১৯৭৮ চনত অষ্ট্ৰেলিয়া চৰকাৰে তেওঁক 'অৰ্ডাৰ অব্ দি ব্ৰিটিছ এম্পায়াৰ' সন্মানেৰে বিভূষিত কৰে। ইমান বোৰ বঁটা আৰু উচ্চ সন্মানৰ অধিকাৰিণী হৈও মাদাৰ টেৰেছাই নিঃস্বাৰ্থভাৱে দৰিদ্ৰসকলৰ সেৱা কৰি আহিছে। প্ৰতিটো পুৰস্কাৰে আনি দিয়া শকত শকত ধনৰ অংশবোৰ তেওঁ মুক্তহস্তে ব্যয় কৰিছে দৰিদ্ৰ নাৰায়ণৰ সেৱাৰ উদ্দেশ্যে। উল্লেখ-যোগ্য যে, ন'বেল বঁটাৰ মূল্য হিচাপে তেওঁলৈ আগবঢ়োৱা সমদায় ধন কুষ্ঠৰোগী আৰু অনাথ সকলৰ বাবে আশ্ৰম সজা কামত খৰছ কৰিব বুলি মাদাৰ টেৰেছাই ইতিমধ্যে ঘোষণা কৰিছেই। অৱশ্যে টকাৰ অভাৱৰ বাবে টেৰেছাই পৰিকল্প-নাক বাস্তৱত ৰূপ দিব নোৱাৰিম বুলি কোনো দিনেই পিছ হুঁহকা নাই। তেওঁৰ মতে টকাৰ অভাৱে সকলো সমস্যাৰ মূল হব নোৱাৰে। অন্তৰত প্ৰেম থাকিলে সকলো কৰিব পাৰি। প্ৰেমৰ অভাৱেই আচল সমস্যা। মাদাৰ টেৰেছাৰ অন্তৰত প্ৰেমৰ অভাৱ কোনো দিনেই হোৱা নাই। এয়া এক প্ৰেমৰ অন্তঃসলিলা ফল্গু — বব জানে দূৰ সুদূৰলৈ, শুকাব নেজানে কোনো কালে।

দীন দৰিদ্ৰ আৰ্তজনৰ সেৱাত নিজৰ সমস্ত জীৱনকে উছৰ্গা কৰা এই গৰাকী নাৰী মানৱী হ'লেও দেৱীস্বৰূপা। পৃথিবীৰ দৰিদ্ৰতম মানুহৰ সেৱাৰ উদ্দেশ্যে তেওঁ যিবোৰ অনুষ্ঠান, প্ৰতিষ্ঠান আশ্ৰম, আশ্ৰয়গৃহাদি গঢ়ি তুলিলে সেইবোৰ বিশ্বৰ ইতিহাসত সোণচেঁকুৰা হৈ জিলিকি থাকিব। কোৱা বাহুল্য, বিশ্বৰ সকলো দেশৰ সকলো লোকৰ বাবে মাদাৰ টেৰেছা হৈ ৰ'ব যুগে যুগে আদৰ্শৰ এক জ্বলন্ত প্ৰতীক। ১৯৪৮ চনত নাগৰিকত্ব গ্ৰহণ কৰি শত শত মহামানৱৰ পুণ্যভূমি ভাৰতবৰ্ষক ধন্য কৰা এই গৰাকী মহিমাময়ী নাৰী মূৰ্তিৰ স্থান আমাৰ প্ৰাণৰো প্ৰাণত। × ×

[ বিঃ দ্ৰঃ—জীৱনীটো লিখোঁতে সাম্প্ৰতিক বিভিন্ন পত্ৰিকাৰ সহায় লোৱা হৈছে। ]

প্ৰবন্ধ

# 'আমাৰ জন্ম উৎপত্তি চাওঁ'

পৰমেশ দত্ত

মানুহৰ উৎপত্তিৰ বিষয়ে জনাৰ কৌতুহলে মানুহৰ মনত অতি প্ৰাচীন কালতেই শিপা মেলিছিল, আৰু তাৰেই ফল স্বৰূপে মানৱ উৎপত্তি বিষয়ক নানান প্ৰবাদ আজিলৈকে প্ৰচলিত হৈ আহিছে। পৃথিবীৰ সকলো ধৰ্মই মানুহ স্বয়ং ভগৱানৰ এক বিশেষ সৃষ্টি বুলি অভিহিত কৰে। ই দৰাচলতে এক ভুল ধাৰণা। মানুহ কোনো ভগৱানৰ দ্বাৰা সৃজিত জীৱ নহয়, বৰং ক্ৰম বিৱৰ্তনৰ ফলত বৰ্তমানৰ অৱস্থাপ্ৰাপ্ত হোৱা এক জন্তু বিশেষেই হ'ল—মানৱ। এই সত্য উদ্ঘাটন কৰাৰ বাবে ইউৰোপীয় পণ্ডিতসকলে আগভাগ হৈছিল। মানুহৰ উৎপত্তিৰ বিষয়ে ঊনবিংশ শতিকাৰ মাজ ভাগলৈকে ইউৰোপৰ প্ৰায় সকলো লোকেই 'বিশেষ সৃষ্টি সূত্ৰ' ( Theory of special creation ) মতবাদৰ পৃষ্ঠপোষকতা কৰিছিল। এই মতবাদৰ প্ৰচাৰ চলাইছিল খৃষ্টিয়ান ধৰ্মযাজকসকলে। খৃষ্টিয়ান সকলৰ ধৰ্মগ্ৰন্থ পবিত্ৰ বাইবেলত মানৱৰ উৎপত্তি সম্পৰ্কে এই ধৰণৰ উল্লেখ পোৱা যায় 'And the Lord God formed man of the dust of the ground, and breathed into his nostrils the breath of life, and